


# বিকালিয়ান

## বিকালী মহাবিদ্যালয়ৰ আলোচনী

৫ ম সংখ্যা

সম্পাদক
শ্ৰীমৃদুল পাটগিৰী

তত্বাবধায়িকা
শ্ৰীস্বৰ্ণলতা দাস




সম্পাদনা সমিতি, বিকালিয়ান




মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য/সদস্যাসকল



ছাত্ৰ একতা সভা, ২০০৬-০৭ ইং শিক্ষাবৰ্ষ

Bikali College Library, Dhupdhara

# বিকালিয়ান

## বিকালী মহাবিদ্যালয়ৰ মুখপত্ৰ

BIKALI COLLEGE
: DHUPDHARA :
ESTD - 1982

## পঞ্চম সংখ্যা

## ২০০৬-২০০৭ ইং শিক্ষাবৰ্ষ


তত্ত্বাৱধায়িকা
শ্ৰীস্বৰ্ণলতা দাস

সম্পাদক
শ্ৰীমৃদুল পাটগিৰী

# বিকালিয়ান

## ২০০৬-০৭ ইং শিক্ষাবৰ্ষ

BIKALI COLLEGE
: DHUPDHARA :
ESTD - 1982

প্ৰকাশক ঃ বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

**সম্পাদনা সমিতি ঃ**

| | | |
|---|---|---|
| সভানেত্ৰী | ঃ | ড° মলিনাদেৱী ৰাভা |
| তত্ত্বাৱধায়িকা | ঃ | শ্ৰীস্বৰ্ণলতা দাস |
| সদস্য/সদস্যা | ঃ | শ্ৰীমতী আলপনা সৰকাৰ |
| | | শ্ৰীভূপতি দাস |
| | | শ্ৰীমতী মনালিছা ৰায় চৌধুৰী |
| | | শ্ৰীমতী চম্পাৰতী খাখলাৰী |
| | | শ্ৰীপংকজ ৰাভা |
| | | শ্ৰীতন্ময় কুঃ ৰাভা (সাধাৰণ সম্পাদক) |
| | | শ্ৰীৰুদ্ৰসিং ৰাভা (সদস্য) |
| | | শ্ৰীমৃদুল পাটগিৰী (সম্পাদক) |

ছপা ঃ মনালিছা অফ্‌ছেট, বকো

# শ্ৰদ্ধাঞ্জলি

যিসকল মহান ব্যক্তিৰ নিৰলস শ্ৰমৰ ফলত বিহালী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ বিহালী মহাবিদ্যালয় গঢ়ি উঠিল সেই পূণ্যাত্মা শ্বহীদ সকলোলৈ যাঁচিছো একাজলি হিয়াভৰা অশ্ৰু অঞ্জলি। ৰূপালী জয়ন্তী উৎসৱৰ প্ৰাক্‌ক্ষণত সেই শ্বহীদসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিছো। আৰু বিহালিয়ানৰ এই সংখ্যা তেওঁলোকৰ নামত উচৰ্গা কৰিলোঁ।

— সম্পাদনা সমিতি

☎ : 91-0361-2570412 (0)
*Prof. Amarjyoti Choudhury,* M.Sc., Ph.D. **Fax** : 91-0361-2700311
**Vice-Chancellor**
**GAUHATI UNIVERSITY**
**Gopinath Bardoloi Nagar**
Guwahati-781014
Assam : India

# শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে, বিকালী মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী "বিকালিয়ান" প্ৰকাশৰ যো-জা চলোৱা হৈছে। এই আলোচনীখনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক প্ৰতিভা বিকশিত হৈ সমাজ আৰু দেশৰ বৌদ্ধিক তথা সাংস্কৃতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যৎ জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি লোৱাৰ লগতে একোজন সৎ আৰু আদৰ্শৱান ব্যক্তি হ'বলৈও প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে।

সমূহ ছাত্ৰ-ছাত্ৰীৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামনাৰে—

অমৰজ্যোতি চৌধুৰী।

(অমৰজ্যোতি চৌধুৰী)
উপাচাৰ্য্য,
গুৱাহাটী বিশ্ববিদ্যালয়।

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১ ☎ (০৩৭৬)২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১ ☎ (০৩৬১)২৫২১৮৩৮
ডিফু কাৰ্যালয় ঃ ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০ ☎ (০৩৬৭১)২৭২৫৯৮
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১ ☎ (০৩৬৬২)২৩২৫২৮

কনকসেন ডেকা
সভাপতি




## শুভ-কামনা

ঐতিহ্যমণ্ডিত বিকালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনি অলপতে প্ৰকাশ পাব বুলি জানিব পাৰি সুখী হ'লো। দৰাচলতে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ মুখপত্ৰসমূহৰ গুৰুত্ব অপৰিসীম। এই মুখপত্ৰত লিখিবলৈ আৰম্ভ কৰা সকলৰেই বহুতকে পাছলৈ সযশ কবি-সাহিত্যিক হোৱা দেখা যায়। বিকালী মহাবিদ্যালয়ে ইতিমধ্যে ভালে কেইগৰাকী সযশ কবি-সাহিত্যিকক উলিয়াবলৈ সক্ষম হৈছে। এই শিক্ষানুষ্ঠানৰ পৰাই শিক্ষা লাভ কৰি ৰাজ্যখনৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰলৈকো ভালে কেইগৰাকীয়ে বিশিষ্ট অৰিহণা আগবঢ়াইছে। শিক্ষা প্ৰতিষ্ঠানটোৰ এই ধাৰাবাহিকতা ভৱিষ্যতে যাতে অধিক উজ্জ্বল ৰূপত প্ৰকট হয়, তাকেই কামনা কৰিলো। প্ৰকাশ পাব লগা মুখপত্ৰখনিয়ে শ্ৰদ্ধেয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপদেশ তথা আৰ্হিমূলক লেখা আৰু বিদ্যাৰ্থীসকলৰ সু-কোমল অনুভূতি ৰঞ্জিত অভিনৱ লেখাৰে অঞ্চলটোৰ শিক্ষা-সাহিত্য-সংস্কৃতিৰ দাপোন হৈ পৰিব বুলি আশা কৰিলো।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে পৰিবৰ্তিত পৰিস্থিতিত অসমৰ মাটি-পানীৰ স'তে বিশ্বৰ সংযোগ কৰাৰ অভিনৱ সুযোগ আহিছে। সেই সুযোগ গ্ৰহণৰ উদ্দেশ্যে হীনমন্যতা পৰিহাৰ কৰি বহল বিশ্বত আমাৰ ঐতিহ্যক উজ্জ্বলাই তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকল সংকল্পবদ্ধ হোৱাৰ সময় আহি পৰিছে। তেওঁলোকে আত্ম বিশ্বাসেৰে সমাজৰ যোগ্য অংশীদাৰ হ'বলৈ তৎপৰ হোৱাৰ ওপৰতে আমাৰ সমাজৰ অগ্ৰগতি নিৰ্ভৰ কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে মুখপত্ৰখনিও সুৰুচি সম্পন্নভাৱে প্ৰকাশ পাব বুলি কামনা কৰিলো।

২৮/২/'০৭


ব্যক্তিগত ঠিকনা ঃ অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬ দূৰভাষ (০৩৬১)২২৬৭২১২

# অধ্যক্ষাৰ মেজৰ পৰা



বৈচিত্ৰপূৰ্ণ আৰু স্বকীয়তাবিশিষ্ট কলা-সংস্কৃতিৰে ঐশ্বৰ্যশালী বিকালী অঞ্চলৰ পৱিত্ৰভূমিক অলংকৃত কৰি জন্ম লাভ কৰা বিকালী মহাবিদ্যালয়ে এইবেলি পচিছ বছৰ পূৰ্তি উপলক্ষে ৰূপালী জয়ন্তী সমাৰোহৰ আয়োজন কৰিছে।

বিকালী অঞ্চলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক দিশৰ অগ্ৰগতিৰ মহান লক্ষ্য আগত লৈ ১৯৮২ ইং চনৰ ১৪ এপ্ৰিল তাৰিখে জন্ম লাভ কৰা মহাবিদ্যালয়খনৰ প্ৰতি বিকালী অঞ্চলৰ সদাশয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও অসমৰ শিক্ষাপ্ৰেমীসকলৰ সদ্ ভাৱনা আছে। এনে সদ্ ভাৱনা আৰু বিকালী অঞ্চলৰ ৰাইজৰ মহাবিদ্যালয়খনৰ প্ৰতি থকা আন্তৰিকতাক শ্ৰদ্ধাৰে সোঁৱৰি পচিছ বছৰীয়া অগ্ৰগতিৰ খতিয়ান সহ বিকালী মহাবিদ্যালয়ৰ মুখপত্ৰ 'বিকালিয়ান' সম্পাদনা সমিতিয়ে যথেষ্ট মননশীলতাৰে সম্পাদনা কৰি প্ৰকাশ কৰিবলৈ ওলাইছে।

ৰূপালী জয়ন্তী সমাৰোহৰ শুভ মুহূৰ্তত আমি আশা কৰিছো বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ দাপোণ স্বৰূপ 'বিকালিয়ান' বিকালী মহাবিদ্যালয়ৰ প্ৰামাণ্য দস্তাবেজ হোৱাৰ উপৰিও মহাবিদ্যালয় প্ৰাঙ্গণত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজন কৰা পচিছ বছৰীয়া ৰূপালী জয়ন্তী সমাৰোহৰ স্মৃতি যুগমীয়া কৰি ৰাখিব।

।। জয়তু বিকালী মহাবিদ্যালয়, ধূপধৰা।।

**ড° মলিনাদেৱী ৰাভা**

অধ্যক্ষা, বিকালী মহাবিদ্যালয়, ধূপধৰা

১৭/৪/০৭ ইং

# তত্বাৱধায়িকাৰ একাষাৰ

৫২ খন গাঁওৰ অতি মৰমৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ এই বিকালী মহাবিদ্যালয়। বিকালী অঞ্চলৰ বৌদ্ধিক চিন্তাৰ ক্ষেত্ৰ এই মহাবিদ্যালয়খনৰ জন্ম হয় ১৯৮২ চনৰ ১৩ এপ্ৰিলত। সমূহ বিকালীবাসী ৰাইজৰ অদম্য আশা কঢ়িয়াই মহাবিদ্যালয়খনে ২০০৭ চনৰ ১৩ এপ্ৰিলৰ দিনাখন ২৫ বছৰ পূৰ্ণ কৰি ২৬ বছৰত ভৰি দিব। মই নিজেই ১৯৮৩ চনৰ পৰা ১৯৮৮ চনলৈ এই মহাবিদ্যালয়খনত শিক্ষা লাভ কৰি গৰ্ব অনুভৱ কৰোঁ।

মই পুনঃ গৰ্বিত হৈছো এই বাবেই যে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাপে বিগত ১৩ বছৰ ধৰি শিক্ষা বিভাগত অধ্যাপনা কৰাৰ সুযোগ পাইছোঁ। সেয়েহে ৰূপালী উৎসৱৰ প্ৰাক্ ক্ষণত আবেগ ভৰা অনুভৱৰে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক কৃতজ্ঞতা নিবেদন কৰিছোঁ। সঁচা অৰ্থাৎ মোৰ অতি মৰমৰ বিকালী মহাবিদ্যালয়ৰ বাবে কিবা এটা কৰাৰ আশা বহুদিনৰ পৰাই মনত পুহি ৰাখিছিলোঁ। সেই আশা যেনিবা মোৰ পূৰণ হ'ল। ইতিমধ্যে এই মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ অধ্যাপিকা ড° মলিনাদেবী ৰাভা বাইদেউৱে ২০০৫ চনত অধ্যক্ষৰ আসন অলংকৃত কৰিয়েই আলোচনীৰ দৰে এটি গুৰুত্বপূৰ্ণ বিভাগৰ তত্বাৱধায়িকাৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰে। বাইদেউৰ মৰমৰ দাবীক সন্মান জনাই আলোচনীখনৰ হে কাম কৰাৰ প্ৰেৰণা পাওঁ। সেইমৰ্মে আলোচনীখনৰ ৫ম সংখ্যাটো প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰোঁ। আলোচনীখন ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰাৰ মানসেৰে সৰ্বাঙ্গসুন্দৰ কৰিম বুলি আগবাঢ়ি গৈছিলোঁ। বাস্তৱত সেয়া কিমান খিনি সফল হ'ল তাৰ বিচাৰ সুহৃদ পাঠকৰ ওচৰত থাকিল।

আলোচনী এখন প্ৰকাশ কৰাটো বৰ জটিল কাম। বিভিন্ন সময়ত অৰ্থনৈতিক দিশটোকে প্ৰকাশৰ প্ৰধান বাধা হিচাপে বিবেচনা কৰা হয় যদিও সি এটি নগন্য কাৰণহে। ডাঙৰ সমস্যা হৈছে আলোচনী প্ৰকাশৰ বাবে প্ৰয়োজনীয় লিখনিসমূহ অতি নিম্ন মানদণ্ডৰ। সদায় ভবাৰ দৰে এইবেলিও শিক্ষক-শিক্ষয়িত্ৰীৰ লিখনি নাৰাখিম বুলি ভাবিছিলো যদিও পূৰ্বৰ মানদণ্ডহীনতাৰ সমস্যাই দেখা দিয়াৰ বাবে অনিচ্ছা সত্বেও দুই এজন শিক্ষকৰ লেখনী প্ৰকাশ কৰিবলগীয়া হৈছে। এইখিনিতে আন এটি কথা উল্লেখ কৰিলো যে এই সংখ্যাৰ পৰাই আলোচনীখনত ৰাভা ভাষা প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। ৰাভা ভাষা সাহিত্য, সংস্কৃতি উত্তোৰণৰ মানসেৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰথম প্ৰচেষ্টাত লিখনীৰ সংখ্যা কম আছিল যদিও পৰৱৰ্তী সংখ্যা সমূহত অধিক লিখনী আশা কৰিব পাৰো।

বিকালিয়ানৰ ৫ম সংখ্যা প্ৰকাশৰ মাজেৰে আমি ছাত্ৰ-ছাত্ৰীক মাথো এটাই ক'ব বিচাৰিছোঁ যাতে তেওঁলোকে লিখা আৰু পঢ়াৰ নিয়মীয়া অভ্যাস গঢ়ি তোলে। অধ্যয়নে মানুহৰ ব্যক্তিত্ব পৰিপূৰ্ণ ৰূপত গঢ়ি তোলে। আলোচনীখন প্ৰকাশৰ পথত মোক সহায় সহযোগ আগবঢ়োৱা সম্পাদক শ্ৰীমৃদুল পাটগিৰী, সদস্য শ্ৰীযুত ভূপতি দাস আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীযুত তন্ময় কুমাৰ ৰাভা প্ৰমুখ্যে আন আন সদস্যই আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ জনাইছোঁ। সম্পাদনা সমিতিৰ সভানেত্ৰী তথা মহাবিদ্যালয়ৰ অধ্যক্ষা মাননীয়া ড° মলিনাদেৱী ৰাভা বাইদেৱে বিভিন্ন সময়ত আগবঢ়োৱা দিহা পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত বিকালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি লিখনী সাং কৰিছোঁ।

ধন্যবাদেৰে-

**শ্ৰীস্বৰ্ণলতা দাস**

তত্বাৱধায়িকা, আলোচনী বিভাগ

বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# সম্পাদকীয়.....



হাজাৰ হাজাৰ বছৰজোৰা সভ্যতা অতিক্ৰমি মানৱ সমাজ উপনীত হৈছে যান্ত্ৰিক সভ্যতাত। এতিয়া কোৱা হৈছে এইটো Globalisation ৰ যুগ। কিন্তু ভাবিলগীয়া বিষয় হৈছে মানুহৰ মানসিকতাতো Global thinking ৰ প্ৰভাৱ পৰিছেনে নাই? বিচ্ছিন্নতাবাদে মানুহক মানুহৰ পৰা পদে পদে আঁতৰাই আনিছে। সমগ্ৰ বিশ্বব্যাপি অৰ্থনৈতিক ৰাজনৈতিক ব্যৱস্থাৰ বাস্তৱ সত্য সকলোৱে উপলব্ধি কৰিব পাৰিছে। প্ৰৱঞ্চনাৰে ভৰা ব্যৱস্থাৰ পৰা পৰিত্ৰাণৰ উপায় হিচাপে সৰ্বজন গ্ৰাহ্য কোনো নিৰ্দিষ্ট পথ নাই। তথাপিও এনে এক দৰ্শনৰ সন্ধান পোৱা যায় যাৰ অধিকাংশ মতামত সন্দৰ্ভত চিন্তাবিদসকল একমত। মানুহৰ বাবে মানুহৰ চিন্তা আৰু মানুহৰ প্ৰচেষ্টাই সৃষ্টি কৰিব পৰা সৌন্দৰ্য্যত মানুহৰ বিশ্বাস স্থাপিত হ'ব এই আশাই হতাশাগ্ৰস্ত, ভাৰাক্ৰান্ত মানুহকো প্ৰেৰিত কৰিছে জীয়াই থকাৰ বাবে।

<u>সাহিত্য আৰু সাহিত্যিকৰ দায়বদ্ধতাঃ</u> লেখক বা সাহিত্যিকসকল সমাজৰ প্ৰতি দায়বদ্ধ। সাহিত্যই সমাজৰ দিক্ নিৰ্ণয় কৰে। যিকোনো সৃষ্টিধৰ্মী ৰচনাই সাহিত্যৰূপ পোৱাৰ পিছত ই লিখকৰ ব্যক্তিগত অনুভূতি হৈ নাথাকে। ই জনসাধাৰণৰ মাজত এটা শক্তিশালী গণ সংযোগৰ মাধ্যম হিচাপে ক্ৰিয়া কৰে। সত্যতানুসন্ধানেই শ্ৰেষ্ঠ সাহিত্যৰ মূল লক্ষণ। কলাৰ বাবে কলা বা সাহিত্যৰ বাবে সাহিত্য। বহু কলাকাৰ বা সাহিত্যিকে এই বাণীক সাৰোগত কৰি সৃষ্টি কৰ্মত ব্ৰতী হয়। সাম্প্ৰতিক বহু জটিল বিষয় সন্দৰ্ভত সত্যৰ সন্ধানত ব্ৰতী হ'বলৈ লেখকসকল আগ্ৰহী নহয়। বাস্তৱ ক্ষেত্ৰত এনেকুৱা সাহিত্য যে সুবিধাবাদী তাক বুজিবলৈ সামান্য বিচাৰ বুদ্ধিয়েই যথেষ্ট কাৰণ কলা সৃষ্টি বা সাহিত্য সৃষ্টিৰ দৰ্শক, শ্ৰোতা বা পঢ়ুৱৈ অবিহনে কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। হয়তো এটা যুগত এজন মহৎ লেখকে সমকালীন কোনো এক বিষয়ত পোষণ কৰা মত সৰ্বকালৰ গ্ৰহণযোগ্য নহ'বও পাৰে। কিন্তু সেই যুগৰ মানুহৰ আশা উদ্যম, শক্তি, হতাশা আৰু দুৰ্বলতাৰ জীৱন্ত দলিল হিচাপে থাকে। বিষয়বস্তু বা চিন্তা আমাৰ বাবে আচহুৱা হ'লেও মানবীয় প্ৰমূল্যক প্ৰতিনিধিত্ব কৰা সাহিত্যই সদায় প্ৰিয় হৈ ৰয়।

<u>সাম্প্ৰতিক অসমৰ সঙ্কট ঃ</u> অসমৰ সমস্যাৰ অন্ত নাই। বছৰি বানপানী, খৰাং আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগেৰে আমাৰ ৰাজ্যখন ভাৰাক্ৰান্ত। আনহাতে বৃহৎ ব্যৱসায়িক গোষ্ঠীৰ দ্বাৰা লুণ্ঠিত আমাৰ অৰ্থনৈতিক ব্যৱস্থা। ৰাষ্ট্ৰৰ বিৰুদ্ধে বিদ্ৰোহীসকলে ক্ষোভ প্ৰকাশ কৰিলেও তাক দমনৰ নামত জাপি দিয়া হয় ৰাষ্ট্ৰীয় সন্ত্ৰাস। এনে পৰিস্থিতিত অসমক বৰ্তমান প্ৰয়োজন এক সুস্থিৰ পৰিবেশৰ।

শৈক্ষিক দিশতো সুস্থিৰ বাতাবৰণৰ অভাৱ যেন বোধ হয়। ৰাজনৈতিক হস্তক্ষেপত অসমৰ শিক্ষানুষ্ঠানবোৰৰ পৰিচালনাত বিৰূপ প্ৰভাৱ পেলাইছে। প্ৰচলিত শিক্ষা ব্যৱস্থাতো আসোঁৱাহ নথকা নহয়। চৰকাৰী পৃষ্ঠপোষকতাত গুণগতভাৱে উচ্চমানৰ আৰু বৃত্তিমুখী শিক্ষাৰ বাবে চৰকাৰক বাধ্য কৰাবলৈ সংঘবদ্ধ প্ৰচেষ্টা এতিয়াও অসমত প্ৰতীয়মান হোৱা নাই। অসমৰ ক্ষেত্ৰত আন এটা উদ্বেগজনক বিষয় হৈছে প্ৰতিবছৰে উচ্চ শিক্ষাৰ বাবে ৰাজ্যৰ বাহিৰলৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ ক্ৰমবৰ্দ্ধমান প্ৰৱণতা। ইয়াৰ কাৰণসমূহ বিশ্লেষণ কৰি তাৰ প্ৰতি চৰকাৰ সচেষ্ট হোৱাৰ সময় হ'ল।

অনিশ্চয়তাৰ মাজত বুৰ গৈ উশৃংখল যুৱ মানসিকতাই বৰ্তমান সমাজৰ বহুল চৰ্চিত বিষয় হৈ পৰিছে। এই সমস্যাৰ সমাধানৰ স্থায়ী পথ নিৰ্ধাৰণৰ ক্ষেত্ৰতো সকলোৰে গ্ৰহণযোগ্য মতামতৰ অভাৱ পৰিলক্ষিত হৈছে। চৰকাৰী কৰ্ম সংস্থাপনৰ অভাৱ আনহাতে যুৱ সমাজৰ মাজত দেখা দিয়া কম সময়ত অধিক ধন উপাৰ্জনৰ তীব্ৰ প্ৰতিযোগিতাই এই দিশৰ নেতিবাচক দিশসমূহ বিশ্লেষণ কৰি যুৱ সমাজ সমাজৰ প্ৰতি দায়বদ্ধ হোৱা সময় উকলি যোৱা নাই।

<u>বিকালী কলেজ আৰু বিকালিয়ান ঃ</u> পঁচিছ বছৰ আগৰ বিকালী কলেজৰ প্ৰত্যক্ষ অভিজ্ঞতা আমাৰ নাই। তথাপিও বহু প্ৰাক্তন বিকালিয়ানৰ কথা শুনি ভাবো আগৰ বহু দিশৰ সলনি ঘটিছে। বিকালী অঞ্চলৰ ৰাইজৰ বহু আশা তথা সাধনাৰ থলী এই অনুষ্ঠানখন পচিশটা বছৰ পূৰ্ণ কৰিব ওলাইছে। এই মহাবিদ্যালয়ত সম্পূৰ্ণ তিনি বছৰ কটোৱাৰ পিছত মই অনুভৱ কৰিছো এই মহাবিদ্যালয়খনৰ পৰা ৰাইজে আৰু বহুত আশা কৰিব বিছাৰে। হয়তো অসমৰ ভিতৰতে খুব কম মানুহে আজি বিকালী মহাবিদ্যালয়ৰ নাম শুনিছে। এই মহাবিদ্যালয়খনত বুদ্ধি আৰু সংস্কৃতিৰ অভাৱ নাই। তেনেহ'লে এই অঞ্চলৰ ৰাইজৰ বৌদ্ধিক সাংস্কৃতিক প্ৰতিভাক অসমবাসী তথা বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিববৈলে আমি অসমৰ্থ হও কিয় ? এতিয়া আত্ম বিশ্লেষণৰ সময়। আমি আমাৰ শক্তি সামৰ্থক আন শক্তিমান সকলৰ সৈতে তুলনা কৰি চোৱাৰ উপযুক্ত সময়।

**শ্ৰীমৃদুল পাটগিৰী**
আলোচনী সম্পাদক

# সূচীপাত

## প্ৰবন্ধঃ-

১। সাম্প্ৰতিক সময়ত শিক্ষাৰ ভূমিকা/কৰবী দাস/১
২। অসমৰ নৱন্যাস আন্দোলন আৰু চন্দ্ৰ কুমাৰ আগৰৱালা/মিচ্ তুলিকা দাস/৩
৩। বিষ্ণু ৰাভাৰ খেল প্ৰতিভাত এভুমুকি/ৰুদ্ৰসিং ৰাভা/৭
৪। যুৱ অপৰাধ প্ৰৱণতা- এক সামাজিক ব্যাধি/ভৃগু কুমাৰ দাস/৯
৫। গল্পকাৰ হিচাপে মামনী ৰয়চম গোস্বামী/বৰ্ণালী দাস/১১
৬। মোৰ ছিলং ভ্ৰমণ/নন্দিতা পাটগিৰী/১২
৭। বিকালী মহাবিদ্যালয়ৰ কিছু অভিজ্ঞতা/হাচিমুন বেগম/১৪
৮। পাহৰণি কবি যতীন্দ্ৰ নাথ দুৱৰা/ মৌচুমী গোস্বামী /১৬
৯। ৰাভা ভাষা সাহিত্যৰ বৰ্তমান আৰু ভৱিষ্যত/তন্ময় কুমাৰ ৰাভা/১৮
১০। বিষ্ণু ৰাভাৰ দৃষ্টিত হিন্দু মুচলমানৰ সম্পৰ্ক /নয়ন বণিক্য/২১
১১। মোবাইল, বাইক আৰু নৱ প্ৰজন্ম/দেৱজিৎ পাঠক/২৪
১২। যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ/আলপনা সৰকাৰ/২৬
১৩। সাম্প্ৰতিক সময়ৰ প্ৰসংগেৰে গান্ধীজীৰ স্বাৱলম্বন শিক্ষাৰ গুৰুত্ব/ভূপতি দাস/৩২
১৪। DISASTER VULNERABILITY AND MANAGEMENT:
A CASE STUDY OF MANKACHAR CYCLONE / Dr.M.Gopal Singha/৩৪
১৫। **Panchayati Raj : Instrumentof Democratic Decentralisation**
/Dr, P. Chakravarty/৩৮
১৬। Environmental Geography and related sciences/Geetamoni Kalita/৪০

## গল্পঃ-

১। তোমাৰ উমাল বুকুৰ সান্নিধ্য বিচাৰি/মমিনুৰ মোল্লা/ ৪১
২। প্ৰগতিৰ স'তে আগুৱাই যাওঁ/ঋতুপৰ্ণ বসুমতাৰী/৪৫
৩। নীলা খামৰ চিঠি/ দীপাংকৰ বৈশ্য/৪৬
৪। দুশাৰিমান মাকনিলৈ/ তনমন ৰাংফো/৪৮
৫। মানসীৰ দুধাৰি চকুলো/ৰুণুমী চৌধুৰী/৫০
৬। চাহ দোকানত চুলাই/আমিনুৰ হ'ক/৫২

## কবিতা

১। এটা শিলৰ এভাগ/ বিপুল কুমাৰ ৰাভা/৫৩
২। শ্ৰদ্ধাৰে জ্যোতিপ্ৰসাদলৈ /কুলেন্দু নাথ/৫৩
৩। ৰূপহী গাভৰু জোনাকী/ সাধনা চৌধুৰী/৫৪
৪। প্ৰীতিৰ প্ৰতিক্ষাত /লোহিত সূত্ৰধৰ/৫৪
৫। এটি প্ৰাৰ্থনা / তৌফিক আহমেদ/৫৫
৬। তোমাক দেখাৰে পৰা/দীনবন্ধু বৈশ্য/৫৫
৭। ভালপোৱাৰ স্বীকৃতি/যুথিকা দাস/৫৬
৮। ফুল/খুৰ্চিদা চুলতানা/৫৭
৯। তুমি অহাৰে পৰা/ ভৱেশ দৈমাৰী/৫৭
১০। তুমি যোৱাৰ পৰত/ধীৰামণি খাখলাৰী/৫৮
১১। বেদনাৰ উজাগৰি ৰাতি/ মিনাক্ষী খাটনিয়াৰ/৫৮
১২। তুমি মহাবিদ্যালয়/ ধৰ্মেন্দ্ৰ দাস/৫৯
১৩। তেজেৰে ইতিহাস লিখিব খোজা ছোৱালীজনী/ৰাজা আহমেদ/৫৯
১৪। শিল্পী/মীৰামণি কলিতা/৬০
১৫। আশা / অৰূপ কুমাৰ নাথ/৬০
১৬। ক্লেশ/ হিতেশ চন্দ্ৰ বড়ো/৬১
১৭। মৰিছিকা/কাকলি বসুমতাৰী/৬১
১৮। তোমাৰ বাবেই/ ডলী বড়ো/৬২
১৯। ফুল/ৰুণুমী চৌধুৰী/৬২
২০। সময় (ৰাভা) /দেবেশ ৰাভা/৬২

## ৰাভা বিভাগ ঃ

১। ৰাভা টাঙি ছমাজনি জীৱন/৬৩
২। 'জানং জিনং' গপদ্ৰা পিমুণ্ডি ৰাভা জাতিনি জীৱননি চায়া/৬৫
৩। ৰাভা টাং ধৰমনি থখৰো বলি বিধান বিচাছ খাৰকায় তোৱা/৬৭
৪। গছা আয়না তুক্ৰা/অমল ৰাভা/৬৯
৫। ৰাভা জনজাতিনি ছমাজ আৰো কৃষ্টি সংস্কৃতিনি খছঙে ফামানছিনি/পংকজ ৰাভা/৭২

কবিতা ঃ

৬। ৰাভা সমাজ সংস্কৃতিৰ পথাৰত ৰংমন/শ্ৰীৰংমন ৰাংফো/৭৫
৭। জাগায়কায়/বিনন্দ ৰাভা/৭৫
৮। সময় /দেৱেশ ৰাভা

## বড়ো বিভাগঃ-

## গল্পঃ

1. सोमखोर / Mamani Basumatary//৭৬
2. थै आरो अन्नाय / Dipti Brahma Choudhury//৭৯
3. सासे बेराइ आरो नासे मावजि बन्दानि सल' /Rahul Hazowary//৮১
4. जोबथा थांखि /Mantosh Kumar Boro/৮২

## কবিতা ঃ

1. हमां /Preetilata Khakhlary/৮৭
2. माबेला /Rita Patgiri/৮৭
3. बै समाव /Riju Kumar Hazowary/৮৮
4. थांगोन जों बाबाव /Nibha Basumatary/৮৮
5. दुखुथिया जिउनि गाब /Amit Kr. Patgiri/৮৯
6. बुहुम बिखायाव/Amal Swargiary/৮৯
আলোকচিত্ৰত মহাবিদ্যালয়ৰ কেইটিমান মধুৰতম মুহূৰ্ত
বিকালীৰ গৌৰৱ

প্ৰতিবেদন সমূহ ঃ

১। সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
২। সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
৩। সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
৪। সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
৫। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন
৬। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন
৭। লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
৮। গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

# সাম্প্ৰতিক সময়ত শিক্ষাৰ ভূমিকা

কৰবী দাস
স্নাতক ১ম বৰ্ষ

শিক্ষাই হ'ল এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। শিক্ষাৰ লক্ষ্য হৈছে জ্ঞান, দক্ষতা, মূল্যবোধ, সংস্কৃতিৰ বিনিময়, ব্যক্তিত্বৰ বিকাশ, স্ব-নিৰ্ভৰশীলতা আদি গুণৰাজিৰ আহৰণ কৰা। শিক্ষা ব্যৱস্থাত এই সকলো বিলাক গুণৰ বিকাশ ঘটাই ব্যক্তি আৰু সমাজক গতিশীল কৰি তুলিবলৈ শিক্ষাক ব্যৱহাৰ কৰা হয়। সেইবাবে আধুনিক যুগে দাবী কৰিছে যে শিক্ষাৰ্থীৰ মানসিক আৰু বৌদ্ধিক প্ৰৱণতা অনুসৰি বাস্তৱমুখী শিক্ষাব্যৱস্থাৰ নিতান্তই প্ৰয়োজন।

বৰ্তমান প্ৰতিযোগিতাৰ যুগ "যোগ্য-ভোগ্যা-বসুন্ধৰা।" জীৱনৰ বহু ক্ষেত্ৰত বৰ্তমান সমাজ নিজৰ অজ্ঞাতে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ পৰিছে। শিক্ষাৰ ক্ষেত্ৰত, কৃষিৰ ক্ষেত্ৰত, ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত প্ৰতিযোগিতাৰ বাবে উপযুক্ততা আহৰণ কৰিবলৈ সু-শিক্ষাৰ একান্ত প্ৰয়োজন। স্বাধীনতাৰ পাছত শিক্ষা সম্প্ৰসাৰণৰ ফলত প্ৰতি বছৰে লাখ লাখ শিক্ষিত যুৱক-যুৱতী স্কুল-কলেজৰ পৰা বা বিদ্যালয়ৰ পৰা বাহিৰ হৈছে। কিন্তু কৰ্ম-সংস্থাপন পাইছে সামান্য এটা অংশই। এনেদৰে লাখ লাখ নিবনুৱাৰ সংখ্যা বছৰি বাঢ়ি গৈ আছে। কাৰণ তেওঁলোকে শিক্ষা লাভ কৰিছে সাহিত্য, বিজ্ঞান, ভূগোল, অৰ্থনীতি, ৰাজনীতি আদি কোনো একোটা বিষয়ত। এই শিক্ষাই এজন উপযুক্ত শিক্ষক গঢ়িব পাৰে এজন আমোলা গঢ়িব পাৰে কিন্তু এজন কৃষক, এজন শ্ৰমিক, এজন কাৰিকৰ, এজন শিল্পী গঢ়িব নোৱাৰে। দক্ষতা আৰু প্ৰতিভা অনুযায়ী বৃত্তি নিৰ্বাচন কৰি শিক্ষা গ্ৰহণ কৰি জীৱিকা অৰ্জনত ৰত হ'ব পাৰে। অকল চাকৰিমুখী শিক্ষাতে আৱদ্ধ নাথাকি বাস্তৱমুখী শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন আছে। দেশৰ কল-কাৰখানা, শিল্প-প্ৰতিষ্ঠান, কৃষি ক্ষেত্ৰ আদিতো বৰ্তমান প্ৰয়োজন হৈ পৰিছে বাস্তৱমুখী কৰ্ম অভিজ্ঞতাৰ। এই সামাজিক প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা ব্যৱস্থা গঢ়ি নতুলিলে প্ৰগতি সম্ভপৰ নহয়। 1964-66 চনৰ কোঠাৰি শিক্ষা আয়োগে ইয়াৰ গুৰুত্ব অনুভব কৰি শিক্ষা ব্যৱস্থাত কৰ্ম অভিজ্ঞতাক অবিচ্ছেদ্য অংগস্বৰূপে অন্তৰ্ভূক্ত কৰিবলৈ পৰামৰ্শ দিয়ে। এই অনুক্ৰমে বৰ্তমান বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ লগত সম্বন্ধ ৰক্ষা কৰি কিছুমান উৎপাদনমূলক কাৰ্য্যত ছাত্ৰই অংশ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিব লাগে। সাধাৰণ হাতৰ কামৰ পৰা আৰম্ভ কৰি শেষত কৃষিকাৰ্য্য আৰু শিল্প উদ্যোগ আদিৰ কাম অভিজ্ঞতালৈ সম্প্ৰসাৰিত কৰিব পৰাকৈ বিভিন্ন কাৰ্য্যসূচী শিক্ষা ব্যৱস্থাত থাকিব লাগে। ইয়াৰ যোগেদি শ্ৰমমুখিতা আৰু উৎপাদনশীলতাৰ পৰিবেশ গঢ়ি তুলিব পাৰি। উল্লেখযোগ্য যে পুৰণি কালত শিক্ষা ব্যৱস্থা ধৰ্মীয় আৰু আধ্যাত্মিকতাৰ দ্বাৰা প্ৰভাবিত আছিল। কিন্তু বৰ্তমান শিক্ষা ব্যৱস্থা প্ৰভাবিত হৈছে উৎপাদনমূলক আৰু বৃত্তিমূলক বিষয়েৰে। বৰ্তমান মানুহৰ ভাবধাৰাত বাস্তৱমুখিতা আৰু ব্যৱহাৰিকতাৰ প্ৰভাব পৰিছে। ছাত্ৰই যি শিক্ষা লাভ কৰিছে সি তাৰ বাবে সহায়কাৰী আৰু বাস্তৱ সমস্যা সমাধানকাৰী হৈ উঠিব লাগে।

1966 চনত কোঠাৰি আয়োগে শিক্ষাৰ বৃত্তিমুখীতাৰ প্ৰয়োজন আৰু প্ৰাধান্য দৃঢ়তাৰে প্ৰকাশ কৰে। ইয়াৰ বাবে আয়োগে মত প্ৰকাশ কৰে যে বিজ্ঞান শিক্ষা সকলো পৰ্য্যায়ৰ শিক্ষাতে সমানে গুৰুত্ব দিব লাগে। কৰ্ম-অভিজ্ঞতা কাৰিকৰী দিশত ৰূপদান কৰিব লাগে। কৃষিক্ষেত্ৰত বিজ্ঞানৰ অধিক প্ৰয়োগ কৰিব লাগে

আৰু মাধ্যমিক শিক্ষাক ব্যৱসায়িক ৰূপদান কৰিব লাগে।

বৰ্তমান আমি যিখন সমাজত বসবাস কৰিছো সেইখন হৈছে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সমাজ। ইয়াৰ প্ৰয়োগে আমাৰ ব্যক্তিগত আৰু সামাজিক জীৱনত দ্ৰুত পৰিবৰ্তন সাধন কৰিছে। বিজ্ঞানৰ প্ৰয়োগৰ ফলত পৰিবৰ্তিত বিকাশশীল আৰু উন্নত জীৱনৰ প্ৰতি মানুহৰ আশা আকাঙ্খা আৰু নতুন নতুন প্ৰয়োজন বৃদ্ধি কৰি তুলিছে। বৰ্তমানৰ সমাজ ইমানে দ্ৰুত পৰিবৰ্তনশীল হৈ উঠিছে যে আধুনিক বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ লগত পৰিচয় নাথাকিলে এজন শিক্ষিত ব্যক্তিয়েও নিজ পৰিবেশত খাপ খুৱাই লোৱাত ব্যৰ্থ হ'ব। গতিকে আধুনিক শিক্ষা ব্যৱস্থাই এই কাৰিকৰী বিজ্ঞানৰ লগত ন-পুৰুষক পৰিচয় কৰাই দিব পাৰিব লাগিব। ভাৰতৰ পুৰণি ঐতিহ্য, কৃষ্টি-সংস্কৃতি আদিৰ প্ৰতিও আধুনিক শিক্ষা ব্যৱস্থাই লক্ষ্য ৰখাটো উচিত। পৃথিৱীৰ বৃহত্তম গণতান্ত্ৰিক দেশ হিচাপে এই দেশৰ শিক্ষিত যুৱক-যুৱতীসকলক সুনাগৰিক স্বৰূপে গঢ় দি তোলাৰ প্ৰতিও শিক্ষা ব্যৱস্থাই লক্ষ্য ৰাখিব লাগে। দেশৰ বিভিন্ন দায়িত্বশীল কাৰ্য্যক্ষেত্ৰত যোগ্য নেতৃত্ব দিব পৰা ব্যক্তিত্ব শিক্ষাই গঢ়ি তুলিব লাগে। ইয়াৰ বাবে দৈহিক, মানসিক আৰু আধ্যাত্মিক বিকাশ সাধন কৰাটো অতি প্ৰয়োজন। সেয়েহে শিক্ষা ব্যৱস্থাই ব্যক্তি আৰু সমাজৰ সকলো দিশকে সাৱধনতাৰে আৰু সামূহিকভাবে বিবেচনা কৰি চোৱাটো অধিক প্ৰয়োজন। ইয়াৰ লগতে বৰ্তমান সমাজত গঢ়ি উঠা অমানবীয়তা, বিচ্ছিন্নবাদ, ধৰ্মান্ধতা, ধ্বংসবাদিতা, অদৃশ্যবাদিতা আদি অসুস্থ মনোভাব ৰোধ কৰিবৰ বাবে নৈতিক মূল্যবোধৰ শিক্ষা দিয়াৰ প্ৰয়োজনীয়তা অনুভব কৰা হয়।

বৰ্তমানৰ শিক্ষা ব্যৱস্থাই কিন্তু বিশ্বৰ সকলো লোকৰে শৈক্ষিক প্ৰয়োজন পূৰণ কৰিব পৰা নাই। পৃথিৱীৰ প্ৰায় আধা লোকে স্কুলৰ চাৰিবেৰৰ মাজত দিয়া শিক্ষা লাভ কৰিব পৰা নাই। তেওঁলোক অত্যন্ত দৰিদ্ৰ হোৱা বাবে স্কুলীয়া শিক্ষাৰ পৰা বঞ্চিত হৈ আহিছে। আনহাতে এই শিক্ষা ব্যয় বহুল, কষ্টসাধ্য হোৱা বাবে ই সৰ্বসাধাৰণ শ্ৰেণীৰ লোকৰ আয়ত্বৰ বাহিৰ হৈ গৈছে।

প্ৰচলিত শিক্ষা ব্যৱস্থা জীৱনৰ প্ৰয়োজন ভিত্তিক হৈ উঠাৰ পৰিবৰ্তে ই জীৱন বিচ্ছিন্ন আৰু জীৱনৰ কোনো কামত নহা বিধৰহে হৈ উঠিছে। এই শিক্ষা ব্যৱস্থাই আমাৰ মনত আত্ম-উপলব্ধি আৰু আত্মনিৰ্ভৰশীলতাৰ ভাব জগাই তুলিব নোৱাৰে। এনে শিক্ষাই সকলো লোককে বিকাশৰ সমান সুবিধা দানেৰে সামাজিক ন্যায় আৰু সমতা স্থাপন কৰিব নোৱাৰে। ই আমাক কেৱল মৌখিক শিক্ষা নিৰ্দেশনাৰ বোজা জাপি দি যোগ্যতাৰ মানপত্ৰ প্ৰদান কৰাতেই গুৰুত্ব আৰোপ কৰিছে।

শিক্ষাৰ এই ত্ৰুটিসমূহৰ প্ৰতি লক্ষ্য ৰাখি সেইবোৰ শুধোৰোৱাৰ বাবে বৰ্তমান জীৱনৰ ব্যাপক কৰ্ম পৰিসৰৰ অভিজ্ঞতা সামৰি ল'ব পৰাকৈ এক উপযুক্ত শিক্ষা ব্যৱস্থা গঢ় দি তোলাৰ কথা চিন্তা কৰা উচিত। এনে শিক্ষাক সেয়ে জীৱনব্যাপী শিক্ষা স্বৰূপে নামাকৰণ কৰা হয়। শিক্ষা ব্যৱস্থাৰ এই নতুনত্বৰ বিষয়ে সকলোৱে পৰিচিত হোৱাটো বিশেষ প্ৰয়োজন। এই নতুন দৃষ্টিভংগীয়ে শিক্ষাক এক নতুন অৰ্থ আৰু দৃষ্টিদান কৰি এক সংকটমুক্ত শিক্ষা ব্যৱস্থা গঢ় দি তুলিব পাৰিব বুলি আশা কৰিব পৰা যায়।□□

# অসমৰ নৱন্যাস আন্দোলন আৰু চন্দ্ৰকুমাৰ আগৰৱালা

তুলিকা দাস

অসমীয়া কবিতাৰ আধুনিক যুগৰ এজন শীৰ্ষস্থানীয় পুৰোধা চন্দ্ৰকুমাৰ আগৰৱালাক নৱন্যাস আন্দোলনৰ প্ৰথম স্ৰষ্টা বুলি গণ্য কৰা হয়। ঊনবিংশ শতিকাৰ ইংৰাজী সাহিত্যৰ উপৰিও তাৰ আগৰ বয়সৰ ইংৰাজী তথা ইউৰোপীয় বাচকবনীয়া ৰত্ন সম্ভাৰৰ সৈতে তেওঁৰ নিবিড় অন্তৰঙ্গতা আছিল। সমপৰিমাণে ভাৰতীয় সাহিত্য তথা দৰ্শন হৃদয়ঙ্গম কৰিবলৈ তেওঁ জীৱনজুৰি অহোপুৰুষাৰ্থ কৰিছিল। তেওঁৰ মনত প্ৰাচ্য আৰু পাশ্চাত্য দুয়োখন সাহিত্য জগতৰ কেনেকুৱা সহব্যাপ্তি আছিল সেইটো দেখুৱাবলৈ এটা উদ্ধৃতি দিয়া হ'ল। কোনোবা বিৰূপ নিন্দুকে "বাঁহী"ৰ বিৰুদ্ধে কুৰুচি অশ্লীলতাৰ অভিযোগ অনাবাবে অন্তৰঙ্গ বন্ধু বেজবৰুৱালৈ 'তলত দিয়া ধৰণেৰে' লিখি ক্ষোভ প্ৰকাশ কৰিছিল - " আমাৰ কীৰ্তনত হৰমোহন, ৰাসক্ৰীড়া, কুঞ্জীৰ বাঞ্ছাপূৰণ, বিদ্যাপতি, চণ্ডীদাস আদি বঙলা ধৰ্মপুথি, ভাৰতচন্দ্ৰৰ বিদ্যাসুন্দৰ, ৰামায়ণৰ ৰম্ভাৱতী হৰণ-সংস্কৃতত কালিদাসৰ কুমাৰসম্ভৱ - এইবোৰ অশ্লীল কুৰুচিপূৰ্ণ নহয়। কেৱল অসমীয়া গাওঁলীয়া চহা স্বভাৱ-কৰিবা প্ৰাণৰ উচ্ছাসতহে জগৰ লাগিল। (চন্দ্ৰামৃতঃ সম্পাদনা- অতুল চন্দ্ৰ হাজৰিকা) এই উদ্ধৃতিটোৰ পৰা এই কথাও ঠাৱৰ কৰিব পাৰি যে সাহিত্যৰ ধাৰাবাহিকতাত পৰম্পৰা আৰু অভিনৱত্বৰ সম্পৰ্কৰ বিষয়ে চন্দ্ৰকুমাৰৰ পুৰঠ জ্ঞান আছিল আৰু সেই কাৰণতে অভাৰতীয় সাহিত্যৰ পৰা আহৰণ কৰা ভাৱ-অনুভূতিবোৰ বিজাতৰীয়া নলগাকৈ সতৰ্কতা সহকাৰে অসমীয়া-সাহিত্যলৈ ৰূপান্তৰিত কৰাত সাৰ্থকতা লাভ কৰিছিল। এইটো গুণ চন্দ্ৰকুমাৰ, লক্ষ্মীনাথ আৰু হেমচন্দ্ৰ গোস্বামী ইত্যাদিৰ গাত থকা বাবেই তেওঁলোকে অসমীয়া কাব্য জগতত সাৰ্থকভাৱে নতুন যুগৰ সূচনা কৰিব পাৰিছিল। স্বদেশৰ ঐতিহ্যৰ প্ৰতি দৃঢ় নিষ্ঠা থকা বাবেই সেইটো সম্ভৱপৰ হৈছিল। ৰোমান্টিক কবিসকলে অতীতক গৰকী নতুনক বিচাৰি ফুৰিছিল। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত পোৱা কেইটামান উক্তি এই প্ৰসঙ্গত উল্লেখ কৰা হ'ল -

"হৃদয়েই মোৰ দেখো চিনাকি সৰগ" (হৃদয় সৰগ)

"মোৰ মুখেদি মানৰ প্ৰাণৰ
ফুটক আকুল মাত
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হক প্ৰতিভাত।" ("বীণ বৰাগী")

কবি স্ৰষ্টা, তেওঁ কল্পনাৰ প্ৰভাবেৰে জীৱনৰ মৰ্মত প্ৰৱেশ কৰে। এই ভাৱনা উপৰোক্ত শাৰী কেইটাত প্ৰতিফলিত হৈছে। চন্দ্ৰকুমাৰৰ 'মই' কবিতাটোৰ "মই মই মাত্ৰ বিপুল সংসাৰ। মই মই সুৰে শুনা .........." শাৰীকেইটাও আমি এই অৰ্থতে লব লাগিব। চন্দ্ৰকুমাৰৰ আগতে বিৰচিত অসমীয়া কবিতাত কল্পনাৰ বৈভৱ নিশ্চয় আছিল। কিন্তু লগতে সিবোৰ কবিতাক ধৰ্মমূলক বা শিক্ষামূলক কৰাৰ প্ৰৱণতা স্পষ্টভাৱে সক্ৰিয় আছিল। কবিৰ ব্যক্তিগত কল্পনাক কবিতাৰ সাৰবস্তু বুলি লোৱা বাবে উপৰোক্ত প্ৰৱণতা ক্ৰমান্বয়ে হ্ৰাস পাই আহিল। কবিতাৰ ৰচনা- ৰীতিৰ ক্ষেত্ৰতো কলেৰিজে কল্পনাৰ জৈৱিক নিয়মৰ সুত্ৰ প্ৰৱৰ্তন কৰিলে। এই নিয়ম অনুসৰি প্ৰতিটো কাব্য কৃতিয়েই একোজোপা বাঢ়ি অহা গছৰ দৰে। তাৰ নিজস্ব নিয়ম অনুসৰিয়েই নিজৰ চূড়ান্ত ৰূপটোক গঢ় দিয়ে। অৰ্থাৎ পূৰ্বনিৰ্দ্ধাৰিত সুত্ৰ অনুসৰি ই গঠিত নহয়। কীট্‌ছেও একোজোপা গছলৈ যিদৰে পাতবোৰ আহে সেইদৰেই কবি মানসলৈ কবিতাবোৰ অহাটো বিচাৰিছিল।

অসমীয়া ভাষাত নতুন ঠাচৰ কবিতা লিখাৰ দৃঢ় প্ৰত্যয় চন্দ্ৰ কুমাৰে নিশ্চয় এই ইংৰাজ কবিসকলৰ পৰা পাইছিল। কল্পনাৰ স্বতঃ স্ফুৰ্তি এই বিশ্বাসেই কবিতাৰ বিষয়বস্তু তথা ৰচনা ৰীতিৰ আমূল পৰিবৰ্তন সাধিলে। ৰোমাণ্টিক যুগৰ কবিৰ সৌন্দৰ্য সম্পৰ্কীয় ধাৰণাৰো লক্ষণীয় বিস্তৃতি ঘটিছিল। ধুমুহাৰ গৰ্জন, সমুদ্ৰৰ আস্ফালন, নভোমণ্ডলৰ বিস্ফোৰণ ইত্যাদি প্ৰকৃতিৰ দুৰ্দমনীয় ঘটনাই মানুহক আত্মবিস্মৃত আৰু চমৎকৃত কৰি ৰখা প্ৰক্ৰিয়াটোক তেওঁলোকে Sublime হিচাপে গণ্য কৰি ইয়াক সৌন্দৰ্যৰে এক মহিমমণ্ডিত ৰূপ বুলি গণ্য কৰিছিল। 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' হিচাপে লোৱা চন্দ্ৰ কুমাৰ আগৰৱালাই 'মহামহত্বৰ অভিলাষী নৰ' আৰু 'মহাজলাশয় সাগৰে গৰ্জিছে উত্তাল নিমগণ এই দুটা কথাৰ মাজত যোগাযোগ বিচাৰি পাইছিল। আকৌ সংস্কাৰাচ্ছন্ন মনত যক্ষিণী দানবীয়তাৰ প্ৰতিভূ। কিন্তু চন্দ্ৰ কুমাৰৰ কবিতাত আঁহতৰ তলত বনফুল সাজ পিন্ধি নাচি থকা যক্ষিণী দুজনী (বনকুঁৱৰী) আলৌকিক আৰু অতি প্ৰাকৃতিক জগতত আমাৰ সচৰাচৰ দৃষ্টিভঙ্গীৰে কাৰণ নেদেখা আনন্দৰটোৰ প্ৰতিচ্ছবি। ৰোমাণ্টিক যুগৰ কবিসকলৰ দৰে চন্দ্ৰ কুমাৰেও বনকুঁৱৰী, জলকুঁৱৰী, জোনাকী আদি কবিতাত অতি প্ৰাকৃতিক 'নুশুনা স্বৰ্গৰ গীত' ৰূপায়িত কৰিবলৈ সচেষ্ট ভাৱে তৎপৰ হৈছিল। 'আধাফুটা আবেগৰ ইমান জুমুৰি দিলো মেলি হৃদয়ৰ দুৱাৰ' (প্ৰতিমা)—এয়া ৰোমাণ্টিক কবি চন্দ্ৰ কুমাৰৰ উক্তি। বহল আৰু সাধাৰণ অৰ্থত চন্দ্ৰ কুমাৰ আগৰৱালাৰ নিয়ৰ, জোনাকী, জলকুঁৱৰী, বিশ্বভাৱৰীয়া, ফুলা সৰিয়হড়ৰা ইত্যাদি কবিতা সৌন্দৰ্য ৰহস্য চেতনা আৰু আনুষঙ্গিক গুঢ় ভাৱনাৰ প্ৰতীক। আকৌ সকলোৰে প্ৰিয় পৰিচিত 'তেজীমলা' কবিতাত এটা জনশ্ৰুতিক চন্দ্ৰকুমাৰে কিদৰে এটা অবিস্মৰণীয় কবিতালৈ ৰূপান্তৰিত কৰি অসমীয়া কাব্যজগতত এটা নতুন দিশৰ সূচনা কৰিলে সেই কথা অসমীয়া সাহিত্যৰ পণ্ডিতসকলে ইতিমধ্যেই আঙুলিয়াই দেখুৱাইছে।

কবিতাৰ ভাষা সম্পৰ্কে ৰোমাণ্টিক কবিসকলৰ দৃষ্টিভংগী আছিল যে কবিতাত এনে ভাষাহে বাচি ল'ব লাগে যিটো মানুহে প্ৰকৃততে ব্যৱহাৰ কৰে। এয়া ৱৰ্ডছ ৱৰ্থৰ উক্তি আৰু ইংৰাজী ৰোমাণ্টিক কাব্য জগতত ইয়াৰ পৰিণতি সুপ্ৰসাৰিত। এইটো মন কৰিবলগীয়া কথা যে কবি চন্দ্ৰকুমাৰ আগৰৱালাই আগৰ কালৰ সাংস্কৃত ভাষা এৰি নতুন ধৰণে এক কবিতাৰ ভাষাত যথাসম্ভৱ সৰল ঘৰুৱা আৰু পৰিচিত শব্দ বাজিৰ যোগেদি কবিয়ে গুঢ় অৰ্থবহ কাব্যিক ভাৱনাৰ অৱতাৰণা কৰিবলৈ ঐকান্তিক চেষ্টা কৰে। এনে নতুন ঠাচত প্ৰৱৰ্তন কৰা কবিতা যে সাৰ্থক সৃষ্টি হ'ব পাৰিব সেই বিশ্বাস চন্দ্ৰকুমাৰে ইংৰাজী ৰোমাণ্টিক কবিসকলৰ পৰাই আহৰণ কৰিছিল। লক্ষণীয় যে চন্দ্ৰকুমাৰৰ উত্তৰসুৰী সকলে এই ক্ষেত্ৰত চন্দ্ৰকুমাৰে দেখুৱাই দিয়া বাটেই ল'লে। অসমীয়া কাব্যৰ ইতিহাসত এইটো এটা তাৎপৰ্যপূৰ্ণ ঘটনা। ইংৰাজী ৰোমাণ্টিক যুগ বা কবিতাত প্ৰকৃতিৰ বৰ্ণনা এটা ঘাই আলোচ্য বিষয়। প্ৰকৃতিৰ বৰ্ণনা দূৰ অতীত কালৰ পৰাই কবিতাৰ বিষয় বস্তু। কিন্তু ৰোমাণ্টিক কবিসকলৰ প্ৰকৃতিৰ প্ৰতি মনোভাৱৰ বিশেষত্ব এই খিনিতে যে তেওঁলোকে আগৰ কালৰ কবিসকলে ভবাৰ দৰে প্ৰকৃতি জগতত এটা নিয়ম-শৃঙ্খলা আছে বুলি ধৰি ল'ব পৰা নাছিল। আধুনিক কালৰ কবিসকলৰ মনোভাৱো তদনুৰূপ। কবিৰ ব্যক্তিগত কল্পনা শক্তিক কবিতাৰ উৎসস্থল বুলি গণ্য কৰাৰ ফলস্বৰূপে যি সন্ময় মনোভাৱৰ প্ৰাধান্য সু-বিস্তৃত হ'ল, সিয়েই প্ৰকৃতিৰ প্ৰতি কবিৰ মনোভাৱো গঢ়ি দিলে। উদাহৰণ স্বৰূপে চন্দ্ৰকুমাৰৰ 'প্ৰকৃতি' কবিতাটোলৈ আহোঁ। কবিতাটোত আমি পাওঁ যে ফুলকুলিয়ে বোওৱা প্ৰীতিৰ সোঁত অন্তৰ্হিত হোৱা আৰু ভোমোৰাৰ বেজাৰৰ হৃদয়-ৰাগিনীৰ স্মৃতি ইত্যাদিৰ

প্রতি প্রকৃতি নির্মমভাৱে উদাসীন। এয়া কবিৰ ব্যক্তিগত অনুভূতিৰ অভিব্যক্তি। একে ধৰণেই 'নিয়ৰ' কবিতাত 'বগুলীৰ ভাৰ, হাঁহি-নাচোনক বিষম বায়ুৱে জোকাৰি পেলোৱা' উপলব্ধি ৰোমাণ্টিক চেতনাৰ পৰা অহা। কবিতা দুয়োটাকে ইন্দ্ৰিয়ানুভূতিক আলোড়িত কৰা আকৰ্ষণীয় চিত্ৰকল্পৰাজি সুপৰিচিতভাৱে আছে। কবিতা দুয়োটাকে ই উজ্জ্বল আৰু সজীৱ কৰিছে। সেয়া ইন্দ্ৰিয়ানুভূতিৰ স্বাভাৱিক বিকাশৰ প্ৰতি ৰোমাণ্টিক কবিসকলৰ অপৰিসীম আগ্ৰহৰ নমুনা। ৰোমাণ্টিক যুগৰ কবিতাত প্ৰকৃতিৰ সৌন্দৰ্যৰ চিত্ৰণ সুক্ষ্ম আৰু জাগ্ৰত ইন্দ্ৰিয়ানুভূতিৰ বিকাশ ঘটিছে। চন্দ্ৰকুমাৰৰ কবিতাত তাৰে দুটা অভিনৱ চানেকি—

"অথিৰ বায়ুৰ শিয়ৰিল নোম।
উছলাইছেগৈ জান। ("বনকুঁৱৰী")
"সেউজী ৰসাল বটে আবৰিছে।
দয়াই বিতৰে ছঁয়া।
ফটিক সুৱদী নিজৰাৰ ধাৰে।
বাটৰ হৰিছে পয়া।
("আনন্দতীৰ্থ")

অৱশ্যে এই ক্ষেত্ৰত এই কথাটোকো মনত ৰখা দৰকাৰ যে ৰোমাণ্টিক যুগৰ কবিতাত প্ৰকৃতিৰ বৰ্ণনা কেৱল সুন্দৰৰ জীৱন্ত চিত্ৰণ নহয়। প্ৰকৃতিৰ উপাদান সমূহত আৰু ক্ৰিয়া-প্ৰক্ৰিয়াৰাজিত কবিয়ে নিজৰ ব্যক্তিগত অনুভূতি আৰু উপলব্ধিবোৰ বৰ্ণনাৰ বিবিধ কৌশলৰ জৰিয়তে উপস্থাপন কৰে। কাৰণ ৰোমাণ্টিক কবিসকলে বিশ্বাস কৰিছিল যে সৌন্দৰ্যৰ পূৰ্ণ ৰূপ আৰু সত্য একে কথা। এই বিশ্বাসৰ আধাৰতে কবিজনাই কৈছিলঃ

"ফুৰিছো যাত্ৰীৰ বেশে স্বদেশ-বিদেশ
সৌন্দৰ্য আভাস য'তে পাওঁ একণিকা,
সুন্দৰৰ আৰাধনা জীৱনৰ খেল
অভিনয় অন্তে মোৰ কাল যবনিকা"।
(সৌন্দৰ্য)

সুন্দৰৰ যোগেদি সত্যক উপলব্ধি কৰাৰ পন্থা হিচাপে ৰোমাণ্টিক কবিসকলে মানুহ আৰু বিনন্দীয়া প্ৰকৃতিৰ মাজত সংযোগসুত্ৰ অনুধাৱন কৰা কাৰ্যত প্ৰবৃত হয়। সেই অৰ্থত ৰোমাণ্টিক যুগৰ কবিতাত প্ৰকৃতিৰ বৰ্ণনা দৰাচলতে প্ৰকৃতি আৰু মানুহৰ মাজত থকা সম্পৰ্কৰ বৰ্ণনা; কবিৰ বাবে ফুলা সৰিয়হডৰাৰ বিশেষ অৰ্থ এয়েই যে সিয়ে তেওঁক লৰালি কালৰ সপোন দিনৰ সৈতে একীভূত কৰিব পাৰে। এয়া মানৱ আৰু প্ৰকৃতিৰ মাজত যোগসূত্ৰৰ অন্বেষণ। সেইবাবেই চন্দ্ৰকুমাৰে কৈছে—

"নখে মাটি লেখা খোজে তলমূৰ হই
নুফুৰিবা পৃথিৱীত পখিলা লেচাই।
("সুখগীত")

চন্দ্ৰকুমাৰৰ "আনন্দ তীৰ্থ" কবিতাত মানুহৰ শক্তি সামৰ্থৰ প্ৰতি বিশ্বাস আৰু মানুহৰ পূৰ্ণতা লাভ কৰিব পৰা সম্ভাৱনাৰ ওপৰত আস্থা ধ্বনিত হৈছে। সেয়া অসমীয়া ৰোমাণ্টিক কবিতাৰ এক অম্লান কীৰ্তি। ইংলেণ্ডৰ ৰোমাণ্টিক কবিসকলৰ এই বিশ্বাসৰ লগত সামনঞ্জস্য চন্দ্ৰকুমাৰৰ "মানৱ বন্দনা" কবিতাত আছে। বীণ-বৰাগী কবিতাতো তেনে ভাৱনা কেন্দ্ৰিভূত হৈছে। প্ৰসঙ্গক্ৰমে লক্ষণীয় যে "জোনাকীৰ আত্মকথা"ত চন্দ্ৰকুমাৰে মন্তব্য কৰিছিল যে "ৰাজনীতি আমাৰ ৰাজ্যত বাহিৰ"। জীৱনৰ পৰৱৰ্তী অভিজ্ঞতাৰ প্ৰভাৱত এই মনোভঙ্গীৰ পৰা কবি ক্ৰমাগত আঁতৰি আহিছিল। অন্যথাই "মহাত্মা", "নঙঠা ফকীৰ" আদি উদ্দীপনাময় কবিতাৰ সৃষ্টি নহলহেঁতেন। সক্ৰিয় ৰাজনীতিত জড়িত নাথাকিলেও সেই সময়ৰ প্ৰেৰণাদায়ক ৰাজনৈতিক মতাদৰ্শই কবিক লক্ষ্যবোধৰ আনন্দ দিছিল। মানুহৰ মহত্বৰ ওপৰত নিষ্ঠাভাজন আৰু শ্ৰদ্ধাশীল কবিচিত্তৰ ই স্বাভাৱিক বিকাশ।

ৰোমাণ্টিক কবিসকলে মানুহৰ ব্যক্তিত্বৰ

স্বতঃস্ফুৰ্ত বিকাশৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। সৰলমনা মানুহ, শিশুপ্ৰাণ ব্যক্তি আৰু ল'ৰা-ছোৱালী, কিশোৰ-কিশোৰী এইসকলৰ ক্ষেত্ৰত এনে মানসিক স্বতঃস্ফুৰ্তিৰ বাধামুক্ত প্ৰকাশ পোৱা যায় বাবে ৰোমাণ্টিক কবিসকলৰ বাবে সেইবিলাক প্ৰেৰণাৰ থলি। "কিশোৰী", "মাধুৰী" আদি কবিতাত চন্দ্ৰকুমাৰৰ হৃদয়ৰ আবেগ অনুভূতিৰ স্বতঃস্ফুৰ্তি প্ৰকাশৰ আকৰ্ষণীয়তা আৰু সৌন্দৰ্য অবিস্মৰণীয় কাব্যিক ৰূপত প্ৰকাশ কৰিছে। সভ্যতাৰ কৃত্তিমতাই মানুহক অমানুহ কৰে; সেই সকীয়নি ৰোমাণ্টিক কবিতাত সোচ্ছাৰ। 'পশুবল' কবিতাত পোৱা যায় যে—

"কাঁকৰি-ফৰিং মৰ্জিলা অলেখ
অসন্তোষী সৰ্বগ্ৰাহী
লগৰ সঙ্গৰ ভাই ভনীবোৰ
অঠাইত ফুৰিছে ভাহি।"

গতিকে আমি কব পাৰো যে পাশ্চাত্য সাহিত্যৰ ৰোমাণ্টিক ধাৰাৰ কবিতাৰ পৰা অসমীয়া সাহিত্যলৈ নতুন সম্পদ অনাৰ ক্ষেত্ৰত চন্দ্ৰকুমাৰে সুদৰ্শিতা আৰু সতৰ্কতা অৱলম্বন কৰিছিল; আৰু সেইবাবেই অসমীয়া সাহিত্যলৈ নতুন যুগৰ সূচনাৰ ক্ষেত্ৰত সাৰ্থকতা লাভ কৰিছিল। তেখেতৰ সৃষ্টিক আমি কেতিয়াও পাহৰি যাব নোৱাৰো। ❑❑

সংগ্ৰহ পুথি ঃ ক) গৰীয়সী
খ) স্মৃতিগ্ৰন্থ
গ) অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি
ঘ) বাতৰি কাকত স্নাতক দ্বিতীয় বৰ্ষ

# বিষ্ণু ৰাভাৰ খেল প্ৰতিভাত এভূমুকি

শ্ৰীৰুদ্ৰসিং ৰাভা

কুৰি শতিকাৰ মুষ্টিমেয় যি কেইগৰাকী মহান শিল্পীয়ে অসমৰ জনগণক ঐক্য সম্প্ৰীতিৰ ডোলেৰে এক কৰি প্ৰগতিৰ পথেদি আগুৱাই লৈ যাবৰ কাৰণে অহৰহ চেষ্টা অব্যহত ৰাখিছিল সেই সকলোৰ ভিতৰত “কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা’ অন্যতম। এইজনা ‘শিল্পী সৈনিকে’ তেওঁৰ ৬০ বছৰীয়া জীৱন কালত সমাজৰ বাবে আগবঢ়োৱা বৰঙণিৰ গৌৰৱ চমুকৈ তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি। শিল্পীৰ পৰা বিদ্ৰোহী লৈ, গানৰ পৰা ষ্টেনগানলৈ, গান্ধীৰ পৰা মাৰ্ক্সলৈ, ডিমাপুৰৰ পৰা মধুপুৰলৈ, মঞ্চৰ পৰা জনসাধাৰণৰ মাজলৈ, স্বাচ্ছন্দৰ পৰা দৰিদ্ৰলৈ, ৰাজনীতিৰ পৰা ক্ৰীড়াঙ্গনলৈ আৰু লোকালয়ৰ পৰা অজ্ঞাত বাসলৈ.........।” খেলৰৈ বিষ্ণু ৰাভা কোন বুলি প্ৰশ্ন অৱতাৰণা কৰিলে উত্তৰত এনেদৰে ক’ব পাৰি যে, “চাল-চলনত, ধীৰ-গম্ভীৰ, মাতটো খাদত বাজি উঠা বীণাৰ স্বৰৰ দৰে সুললিত অথচ গহীন, হেজাৰ জনৰ মাজত সহজে চকুত পৰা, এবাৰ দেখিলে জীৱনত পাহৰিব নোৱাৰা সেইজনা বাহুবলী, স্বাস্থ্যৱান পুৰুষেই হ’ল তাহানিৰ নিপুন খেলৰৈ বিষ্ণু ৰাভা।” এই গৰাকী গণনেতা পৃকতাৰ্থত অসমীয়াৰ এজন প্ৰকৃত নিৰ্ভীক প্ৰতিনিধি। এইজনা পুৰুষে নিজৰ বহুমুখী প্ৰতিভাৰ বলত মানৱ ইতিহাসত নিজৰ নাম অক্ষয় কীৰ্তিৰে ৰাখি থৈ যাবলৈ সক্ষম হ’ল। বিষ্ণু ৰাভাৰ খেল প্ৰদৰ্শন আছিল তেতিয়াৰ দিনত সকলোকে মোহিত কৰিব পৰা আৰু উচ্চমানদণ্ডৰ। সেয়েহে কৈশোৰ অৱস্থাৰ পৰাই ডাঙৰৰ লগত বিভিন্ন প্ৰতিযোগিতামূলক খেলত খেল প্ৰদৰ্শন কৰিছিল। তাৰ উপযুক্ত দৃষ্টান্ত তেখেতে অষ্টম শ্ৰেণীত পঢ়ি থকাৰ সময়ত তেজ পুৰৰ জ্যেষ্ঠ ফুটবল দলৰ লগত খেলিবলৈ পোৱা সুবিধাই প্ৰমাণ কৰে। খেলুৱৈ বিষ্ণু ৰাভাৰ খেল তালিকাৰ বিৱৰণত উল্লেখ কৰিব পাৰি যে—“লোক খেলৰ পৰা আৰম্ভ কৰি আন্তৰাষ্ট্ৰীয় পৰ্য্যয়াত অন্তৰ্ভুক্ত প্ৰায়বোৰ খেলতেই তেওঁ অংশ গ্ৰহণ কৰিছিল।” যেনে—ঘোঁৰা চেকুৰুৱাৰ পৰা পানীত সাঁতোৰালৈকে। তাৰোপৰি কাবাডী, হকী, বেডমিণ্টন, কেৰোম, বাস্কেতবল, ভলীবল আদি। ৰাভাদেৱৰ খেল প্ৰতিভাৰ পাৰ্গতালি এজন সাধাৰণ অসমীয়াৰ ৰূপত অসাধাৰণ। সেয়েহে অসমৰ পৰা সুদুৰ কলিকতা, কোচবিহাৰ, ৰংপুৰ আদিত খেল প্ৰদৰ্শন কৰাৰ বাবে সুবিধা পাইছিল। আৰু বিভিন্ন খেলৰ দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ বাবে যোগ্য বুলি বিবেচিত হৈছিল। এইজনা মহান ব্যক্তিৰ খেলুৱৈ জীৱন বিশেষকৈ “ছাত্ৰ জীৱনত” প্ৰতিফলিত হৈছিল। সৰুৰে পৰা বিভিন্ন খেল-ধেমালিৰ মাজেৰে দিন অতিবাহিত কৰা “সমন্বয়ৰ প্ৰতীক” বিষ্ণু ৰাভাৰ জীৱনত প্ৰায় সকলো ক্ষেত্ৰত দক্ষতাৰে কাৰ্য্য সম্পাদন হোৱা পৰিলক্ষিত হয়। বহুমুখী প্ৰতিভাৰ গৰাকী, অসমী আইৰ সুসন্তান বিষ্ণু ৰাভাই বিদ্যালয়, মহাবিদ্যালয় আদিৰ উপৰিও বিভিন্ন অনুষ্ঠানত নানা ধৰণৰ খেল প্ৰদৰ্শন কৰি জয় লাভ কৰিছে। কলিকতাৰ ছেণ্টপল কলেজত পঢ়ি থকাৰ সময়ত সেই কলেজৰ ক্ৰিকেট খেলৰ সম্পাদকৰ পদত নিৰ্বাচিত হৈ দক্ষতাৰে নিজৰ কাৰ্য্য সম্পাদন কৰিছিল আৰু সেয়ে এই দলটোৱে যথেষ্ট সুনাম আৰু কেইবা বাৰো খেল প্ৰদৰ্শন কৰি জয় লাভ কৰিছিল। এই একে ঠাইৰ ৰিপন কলেজতো অধ্যাৱসায় কৰাৰ সময়ত তেওঁৰ বহুমুখী প্ৰতিভা বহুখিনি বিকশিত হৈছিল। এই কলেজত খেলা-ধূলাৰ ক্ষেত্ৰত তেখেত ফুটবল দলৰ সম্পাদক ৰূপে বিবেচিত হৈছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি তেওঁৰ খেল প্ৰদৰ্শনৰ যোগ্যতাৰ পটুতা। ৰা ভাদেৱে

কলিকতাত থকাৰ সময়ত বিশেষকৈ ক্রিকেত, ফুটবল খেল প্রদর্শন কৰি যথেষ্ট সমাদৰ পাইছিলি আৰু তেওঁৰ লগৰীয়া খেলুৱৈ আৰু আমিবোৰে অৰ্থাৎ অসমবাসী ৰাইজে ৰাভাদেৱৰ গুণতে গুণমুগ্ধ হৈ গৌৰবান্বিত হৈছো। কিন্তু কলিকতাত তেওঁৰ খেল প্রদর্শন দীর্ঘদিন ধৰি তিষ্ঠি থাকিব নোৱাৰিলে। সেই সময়ত তাত চলা অসংযত, অশান্তিকৰ পৰিবেশৰ বাবে তেখেতে কলিকতা ত্যাগ কৰে যদিও ৰাভাদেৱৰ জীৱনত খেল প্রতিভাৰ জ্যোতি ম্লান পৰা নাছিল। কিয়নো ৰাভাদেৱে পুনৰ (বৰ্তমানৰ) বাংলাদেশৰ কাৰ্মাইকেল কলেজত অধ্যাপনা আৰম্ভকৰে আৰু তাতো তেখেত বিভিন্ন খেলত সমানে অংশ গ্রহণ কৰিছিল। তাত ক্রিকেট দলৰ সম্পাদক নির্বাচিত হৈছিল। মহান গণনেতা বিষ্ণু ৰাভাৰ নামত গঠিত ভলীবল দলটোৱে তেতিয়াৰ বংগদেশত শ্রেষ্ঠ দলৰ সন্মান পাইছিল। মুঠতে ৰাভাদেৱ যি বিষয়তে হাত দিছিল তাতেই নিজকে শ্রেষ্ঠজন বুলি প্রতিপন্ন কৰিব পাৰিছিল। কোনো এখন খেলৰ খেল প্রদর্শনৰ উপযুক্ততা আৰু আমোদ-প্রমোদ নির্ভৰ কৰি পোনতে খেল পৰিচালক জনৰ লগতে খেলুৱৈ সকলোৰ অংগ পৰিচালনা, বুদ্ধি কৌশল খটুওৱা, নীতি-নিয়ম মানি চলা, শৃংখলাবদ্ধ ভাৱে খেল প্রদর্শন কৰাৰ ওপৰত। বৰ্তমান সময়ত বিষ্ণু ৰাভাৰ দৰে গুণৰ অধিকাৰী ব্যক্তিৰ প্রয়োজন সমাজত বাৰুকৈয়ে অনুভৱ হৈছে। তাৰ বাবে আমি আটায়ে বিষ্ণু ৰাভাৰ দৰে আন আন মহান ব্যক্তিৰ জীৱন দৰ্শন বিশ্লেষণ কৰি তাক কাৰ্য্যত অনুসৰণ কৰি সমাজ আগবঢ়াই নিলে নিশ্চয় এখন নতুন শান্তিৰ সমাজ গঢ় লৈ উঠিব।□□

# যুৱ অপৰাধ প্ৰৱণতা — এক সামাজিক ব্যাধি

শ্ৰীভৃগু কুমাৰ দাস
স্নাতক (তৃতীয় বৰ্ষ)

বৰ্তমান যুগৰ এক প্ৰধান সমস্যা হৈছে যুৱ অস্থিৰতা আৰু যুৱ অপৰাধ প্ৰৱণতা। ইয়াৰ মূল কাৰণ হ'ল সমাজৰ বিশৃংখল অৱস্থা। ইয়েই আমাৰ যুৱক-যুৱতীৰ মানসিকতাক প্ৰভাৱান্বিত কৰিছে। দুৰ্নীতি, সাম্প্ৰদায়িকতা, সংঘৰ্ষৰ দলীয় বিদ্বেষ, ব্যক্তিৰ অসহিষ্ণুতা আৰু বৰ্ধিত নিবনুৱা সমস্যা আদিয়ে বৰ্তমান সমাজৰ যুৱক-যুৱতীৰ মনত এক অস্থিৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। বৰ্তমান যুৱক-যুৱতী সমূহ এক হতাশজনক পৰিবেশৰ সন্মুখীন হ'ব লগা হৈছে আৰু যাৰ ফলত অপৰাধ প্ৰৱণতাই দেখা দিছে। বৰ্তমানৰ যুৱ সমাজৰ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাৰ বহুতো কাৰণ আছে যেনে—বৰ্তমানৰ সামাজিক অৱস্থা, ৰাজনৈতিক অৱস্থা, অৰ্থনৈতিক অৱস্থা, প্ৰশাসনীয় অৱস্থা, ঘৰুৱা অৱস্থা ইত্যাদি।

সামাজিক অৱস্থা ঃ ধৰ্ম নিৰপেক্ষতাত বিশ্বাস কৰা ভাৰত আজি সাম্প্ৰদায়িক সংঘৰ্ষত জৰ্জৰিত। ধৰ্মৰ নামত সমাজত যি বিভাজন সৃষ্টি হৈছে সেই বিভাজনে মানুহৰ মনতো বিভাজনৰ সৃষ্টি কৰিছে আৰু যাৰ ফলত জাতি-ভেদ প্ৰথাৰ প্ৰভাৱ বৰ্তমানেও কমা নাই আৰু এই অৱস্থাই আমাৰ যুৱক-যুৱতীৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু প্ৰতিহিংসাৰ মনোভাৱ জোগাই তুলিছে। যাৰ ফলত যুৱ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাৰ সৃষ্টি হৈছে।

ৰাজনৈতিক অৱস্থা ঃ ৰাজনীতিত বৰ্তমান যিদৰে দুৰ্নীতি তথা দলীয় স্বাৰ্থ চলিছে, সেইবোৰ দেখিও যুৱক-যুৱতী হতাশগ্ৰস্ত হৈছে। বৰ্তমানে ৰাজনীতিত নিৰ্বাচনত টকাৰ প্ৰয়াসেৰে জয়ী হোৱা দেখিবলৈ পোৱা গৈছে যাৰ ফলত যুৱ সমাজৰ মাজত অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাই দেখা দিছে।

অৰ্থনৈতিক অৱস্থা ঃ বৰ্তমান যুগত বেছি সংখ্যক যুৱক-যুৱতী নিবনুৱা হোৱা কাৰণে দেশত এক ভয়ংকৰ সমস্যাৰ সৃষ্টি হৈছে। আৰু এই নিবনুৱা অৱস্থাৰ কাৰণে যুৱক-যুৱতীয়ে বৰ্তমানে এক নিৰাপত্তাহীনতা অনুভৱ কৰি বিভিন্ন ধৰণৰ অসামাজিক তথা কু-কৰ্মত লিপ্ত হোৱা দেখা গৈছে। আৰু যুৱক-যুৱতীৰ অৰ্থনৈতিক অৱস্থা দুৰ্বল হোৱা বাবে যুৱ অপৰাধ প্ৰৱণতা বাঢ়ি যাবলৈ ধৰিছে।

প্ৰশাসনীয় অৱস্থা ঃ বৰ্তমানৰ প্ৰশাসনীয় ব্যৱস্থাইও যুৱক-যুৱতীৰ প্ৰতি সহানুভতি নেদেখুৱাই আৰু যাৰ ফলত যুৱ অপৰাধ প্ৰৱণতা বাঢ়ি যাবলৈ ধৰিছে। বৰ্তমান যুগত চাকৰি বা তেনেধৰণৰ কামৰ নিযুক্তিৰ ক্ষেত্ৰত যি দুৰ্নীতিয়ে দেখা দিছে তাৰ ফলত আমাৰ যুৱ সমাজ অস্থিৰ হৈ পৰিছে আৰু যুৱ অপৰাধ প্ৰৱণতাৰ মাত্ৰা বাঢ়ি গৈছে। আৰু দেশৰ শাসন ব্যৱস্থাত ৰাজনৈতিক দলৰ প্ৰভাৱ বৃদ্ধি পাইছে আৰু এই বিলাক কাৰণতে যুৱ অপৰাধ প্ৰৱণতা বাঢ়ি গৈছে।

ঘৰুৱা কাৰণ ঃ বৰ্তমান যুৱক-যুৱতীৰ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাৰ ওপৰৰ কাৰণবোৰৰ উপৰিও কিছুমান ঘৰুৱা কাৰণো মুখ্য হ'ব পাৰে যেনে—ঘৰৰ বন্ধন সু-দৃঢ় নহলে, ইয়াত প্ৰয়োজনীয় অনুশাসন আৰু পিতৃ-মাতৃৰ কৰ্তৃত্ব নাথাকিলে, মাক-বাপেক বা ভাই-ভনী বা ঘৰৰ অন্য পৰিয়ালৰ সদস্য সমূহৰ মাজত মিল নাথাকিলে, অন্যথা অতিশয় অৰ্থনৈতিক অভাৱে দেখা দিলে যুৱক-যুৱতীয়ে অপৰাধমূলক কাম কৰিব পাৰে। সমাজৰ আদৰ্শৰ লগতে ঘৰৰ আদৰ্শই ল'ৰা-ছোৱালীক প্ৰভাবান্বিত কৰে। কিন্তু ইয়াৰ অভাৱে ল'ৰা-ছোৱালীক

বিপথে পৰিচালিত কৰে। মুঠৰ ওপৰত বিভিন্ন ধৰণৰ ঘৰুৱা সমস্যাৰ দ্বাৰাও যুৱ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাই দেখা দিব পাৰে।

গতিকে দেখা গ'ল যে যুৱ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতা বিভিন্ন কাৰণত হ'ব পাৰে।

<u>যুৱ অপৰাধ প্ৰৱণতা ৰোধ কৰাৰ ক্ষেত্ৰত শিক্ষাই কিদৰে সহায় কৰে</u> ঃ যিকোনো সমস্যা সমাধানৰ একমাত্ৰ উপায় হ'ল শিক্ষা। যুৱ অপৰাধ প্ৰৱণতা হ'ল আমাৰ এক ভয়ংকৰ সমস্যা। ইয়াৰ সমাধান কেৱল এক উপযুক্ত শিক্ষাৰ দ্বাৰাহে কৰিব পাৰি। আমি যুৱ সমাজৰ মাজত এইটো শিক্ষা দিয়া প্ৰয়োজন যে আমি যুৱ সমাজ অস্থিৰ হৈ কোনো ধৰণৰ অুৰাধমূলক কাম কৰাৰ ফলত ক্ষতি আমাৰ নিজৰেই হ'ব। গতিকে আমি যিকোনো পদক্ষেপ ধৈৰ্য্য সহকাৰে লোৱাটো উচিত। আৰু আমি যুৱ সমাজে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰি কিন্তু নিজে অন্যায়ৰ পদক্ষেপ হাতত নলৈ এক নিকা সমাজ গঠনৰ ওপৰত গুৰুত্ব দিব লাগে। শিক্ষাৰ দ্বাৰা আমি যুৱক-যুৱতী সমূহৰ মাজত এইটো জ্ঞান দিব লাগে যে এক হিংসাপূৰ্ণ মনোভাৱেৰে কেতিয়াও ভাল ফল পাব নোৱাৰি। আমি আমাৰ সমাজত থকা দুৰ্নীতি, অন্যায়, সাম্প্ৰদায়িকতা, ব্যাভিচাৰ আদি গুচাবৰ বাবে আমি আমাৰ যুৱ সমাজৰ মাজত থকা দোষ সমূহ নিজে নিজেই আঙুলিয়াই ল'ব লাগিব আৰু এইটো সম্ভৱ কেৱল শিক্ষাৰ দ্বাৰাহে। কাৰণ শিক্ষাইহে উচিত-অনুচিতৰ বিচাৰ কৰিবলৈ শিকায়। আমি আমাৰ যুৱ সমাজৰ মাজত এইটো শিক্ষা দিয়া উচিত যে যুৱ শক্তি হৈছে এক মহান শক্তি যি শক্তিয়ে সমাজ তথা দেশৰ উন্নতি কৰিব পাৰে। গতিকে আমি প্ৰত্যেক যুৱক-যুৱতীয়ে এটা শিক্ষা লোৱা উচিত যে আমি যুৱ সমাজে অপৰাধ প্ৰৱণ মনোভাৱেৰে দেশৰ উন্নতি কৰিব নোৱাৰিম। গতিকে আমি যুৱ সমাজে অপৰাধ প্ৰৱণ মনোভাৱ ত্যাগ কৰি দেশত হৈ থকা বিভিন্ন অপৰাধ সমূহৰ বিপক্ষে প্ৰতিবাদ কৰিহে আমি এখন উন্নত দেশ গঢ়িব পাৰিম। দেশৰ উন্নতি কৰাৰ বাবে বেয়া তথা অপৰাধ প্ৰৱণ মনোভাৱৰ সলনি এক ভাল চিন্তাৰহে প্ৰয়োজন। এই জ্ঞান শিক্ষাৰ দ্বাৰাহে আমি পাব পাৰো। এষাৰ কথাই আছে যে শিক্ষাই অন্ধকাৰ আঁতৰাই পোহৰৰ সন্ধান দিয়ে। গতিকে আমাৰ যুৱ সমাজৰ মাজত থকা অপৰাধ প্ৰৱণ মনোভাৱ আঁতৰোৱাত কেৱল শিক্ষাইহে সহায় কৰিব পাৰে। মুঠৰ ওপৰত সমাজৰ যিকোনো ভাল কাম এক উচিত শিক্ষাৰ দ্বাৰাহে সম্ভৱপৰ। ❑❑

# গল্পকাৰ হিচাপে মামণি ৰয়চম গোস্বামী

শ্ৰীবৰ্ণালী দাস
স্নাতক ২য় বৰ্ষ

অসমীয়া সাহিত্যৰ বুৰঞ্জীত ঔপন্যাসিক হিচাপে এখন সুউচ্চ আসন দখল কৰি লোৱা লেখিকা মামণি ৰয়চম গোস্বামীয়ে চুটি গল্পৰ দিশতো দক্ষতা প্ৰদৰ্শন কৰিছে। সংখ্যাৰ লেখেৰে বৰ বেছি নহয় যদিও মামণি ৰয়চম গোস্বামীৰ গল্প মুঠিৰ মাজেদি লেখিকাগৰাকীৰ সৃষ্টিশীল নৈপুণ্য দৃষ্টি গোচৰ হয়। ৰয়চম গোস্বামীয়ে নিজৰ উপন্যাস সমূহত দেখুওৱাৰ দৰেই প্ৰায়বোৰ গল্পতেই নাৰীমনৰ অতি ভিতৰৰ গোপন বাৰ্তা কিছুমান অতি নিৰ্ভিক ভাৱে উদঙাই দেখুৱাইছে। 'সেই আন্ধাৰ পোহৰৰো অধিক' নামৰ গল্পটোত দময়ন্তী নামৰ নাৰী চৰিত্ৰটোৰ গভীৰ জীৱনবোধ, এই জীৱনবোধজনিত আত্মমুখীতা অতি হৃদয় স্পৰ্শী ৰূপত প্ৰকাশ পাইছে। ঠিক তেনেদৰে 'উদংবাকচ' গল্পৰ তৰাদৈ চৰিত্ৰই নাৰী জীৱনৰ দুৰ্বিষহ যন্ত্ৰণা ইমান গভীৰভাৱে ফুটাই তুলিছে যে নাৰীৰ সম্পৰ্কে যিকোনো পাঠকৰ মনত এক সকৰুণ আৰু সহানুভূতিশীল আবেদন এটাই প্ৰবল ক্ৰিয়া কৰিবলৈ ধৰে। সংস্কাৰ গল্পৰ দময়ন্তীৰ দৰে ৰূপৱতী আৰু লাৱণ্যময়ী নাৰীৰ অপৰূপ ৰূপ যৌৱনৰ সন্মুখত পীতাম্বৰৰ দৰে বৃদ্ধ পুৰুষৰো বাসনাই কিদৰে জাঙুৰ খাই উঠিব পাৰে, তাৰ বিশ্লেষণো নথকা নহয়। গল্পটোত সমাজৰ এলান্ধু কলীয়া পুৰাতন কুসংস্কাৰ আৰু এই কুসংস্কাৰৰ পৰিণতিত বিশেষকৈ নাৰী জীৱনে কিদৰে দুৰ্বিষহ যন্ত্ৰণা, বেদনাৰ বোজা বহন কৰিব লগা হয়, তাৰো সহৃদয় বাখ্যা আগবঢ়োৱা হৈছে।

অসমীয়া প্ৰেমৰ গল্পৰ ভিতৰত মামণি ৰয়চম গোস্বামীৰ 'ৰিণিকি ৰিণিকি দেখিছোঁ যমুনা' এটা শ্ৰেষ্ঠ গল্প। প্ৰেম কেৱল  দেহজ প্ৰয়োজন পূৰণৰ আহিলা নহয়, প্ৰেম দেহাতীত হৃদয়ৰ প্ৰয়োজন পূৰণৰো এক আনুভূতিক আবেদন। এইযাৰ কথা গল্পটোৰ মুখ্য বক্তব্য।

মামণি ৰয়চম গোস্বামীৰ গল্পত নৰ-নাৰীৰ প্ৰেমৰ পৰিপূৰ্ণ মনস্তাত্বিক বিশ্লেষণ আছে। সেই আন্ধাৰ পোহৰৰো অধিক, উদংবাকচ, সংস্কাৰ আদি গল্পত প্ৰেমৰ বিবিধ অনুভূতি আৰু বিবিধ উদ্দেশ্যৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। নাৰীয়ে সন্তানৰ মাজেদিয়ে নাৰী জীৱনৰ অস্তিত্ব বজাই ৰাখিব বিচাৰে। মনস্তাত্বিক সকলে নাৰী মনস্তত্বৰ বিষয়ে আগবঢ়োৱা এনে ধৰণৰ সত্যবোৰ ৰয়চম গোস্বামীৰ গল্পৰ মাজেদি প্ৰতিফলিত হোৱা দেখা যায়।

মামণি ৰয়চম গোস্বামীৰ গল্পৰ গভীৰ জীৱনবোধ এটা অনুভৱ কৰা যায়, যি জীৱনবোধৰ লগত জীৱনৰ নিবিড়তম কাৰুণ্য নিহিত হৈ থাকে। প্ৰাপ্তিৰ তৃষ্ণা অথবা অপ্ৰাপ্তিৰ যন্ত্ৰণাবোধ এটায়ো ৰয়চম গোস্বামীৰ গল্পত কাৰুণ্যৰ উদ্ৰেক কৰে। ইমান গভীৰ জীৱনবোধ অসমীয়া চুটি গল্পত ৰয়চম গোস্বামীৰ গল্পতেই পোৱা যায়।

ৰয়চম গোস্বামীৰ গল্পৰ আঙ্গিক কৌশলো নিপুণ। 'ৰিণিকি ৰিণিকি দেখিছোঁ যমুনা' গল্পৰ পৰিসৰ বহল। সময় হিচাপেও বহু বছৰজোৰা পটভূমিত গল্পটো নিৰ্মাণ হৈছে। সেইবুলি গল্পটোত ধাৰণাৰ ঐক্য, পৰিপতি মুখী উৎকণ্ঠা, ঘটনাৰ এক মুখিতা আদি ভংগ হোৱা নাই। তদুপৰি অনুভূতি প্ৰৱণতাক জগাই তুলিব পৰা ভাষা আৰু কাব্যময় পৰিবেশ সৃষ্টি কৰিব পৰা গুণৰ বাবেও ৰয়চম গোস্বামীৰ গল্পই পাঠকৰ ৰসৰ আস্বাদন কৰাব পাৰে। ❑❑

# মোৰ ছিলং ভ্ৰমণ

শ্ৰীনন্দিতা পাটগিৰী
উচ্চতৰ মাধ্যমিক (প্ৰথম বৰ্ষ)

মেঘালয়, অৰ্থাৎ মেঘৰ আবাসগৃহ। হঠাৎ নামি অহা বৰষুণ জাক আৰু মেঘৰ সমন্বয়ে এই পাহাৰী ৰাজ্যখনক অধিক সৌন্দৰ্যময় কৰি তোলে। মেঘালয় ৰাজ্যৰ অন্তৰ্গত দুখন অতি মনোৰম ঠাই হ'ল ছিলং আৰু ছেৰাপুঞ্জী। এই ঠাই দুখন চোৱাৰ আশা বহুদিনৰ পৰাই মোৰ মনত পুহি ৰাখিছিলোঁ। হঠাৎ এদিন দেউতাই ছিলংলৈ যোৱাটো ঠিক কৰিলে আৰু মোৰ মনৰ আশা পূৰণ হ'ল।

সেইদিনা আছিল ২০০৬ চনৰ জুলাই মাহৰ ৭ তাৰিখ, শনিবাৰ। ৰাতিপুৱা সকলোৱে সোনকালে উঠি সকলো ধৰণৰ প্ৰস্তুতি কৰি ৯ মান বজাত আমাৰ পৰিয়ালটো দেউতাৰ বন্ধু এজনৰ পৰিয়ালৰ সৈতে মাৰুতি গাড়ীৰে ছিলংলৈ বুলি ৰাওনা হওঁ। যাওতে সকলোৱে গাড়ীত খুব ফুৰ্তি কৰিছিলোঁ। ছিলংলৈ যোৱা পথত মেঘালয়ৰ অকোৱা-পকোৱা ৰাস্তাবোৰ, ৰাস্তাৰ কাষত থকা ওখ ওখ পাইন গছবোৰ আৰু জিৰ্ জিৰ্কৈ বৈ অহা পাহাৰী নৈ বোৰে আমাক সঁচাকৈয়ে আপ্লুত কৰিছিলি। এনেদৰে পাহাৰীয়া পথেৰে গৈ গৈ আবেলি ৩ মান বজাত আমি ছিলং চহৰ পাওঁ। ছিলঙৰ বাট-পথবোৰত কিছু সময় ঘূৰি পুলিচ বজাৰৰ 'HILSTAR' নামৰ হোটেল এখনত দুটা ৰূম ঠিক কৰিলোঁ। ৰূমত গৈ মুখ-হাতবোৰ ধুই অলপ সময় জিৰাই লওঁ। আমি থকা হোটেলখনৰ চাদৰ পৰা ছিলংখন ধুনীয়াকৈ দেখা যায়। সেয়ে আমি চাদত উঠি সন্ধিয়াৰ সেই পোহৰেৰে ভৰপুৰ ছিলংখন চালো। তাৰ পিছত সকলোৱে খোজকাঢ়ি ফুৰিবলৈ গ'লো আৰু উভতি আহোতে সৰু-সুৰা দুই এবিধ বস্তু কিনিলো। ফুৰি আহি হোটেলত ভাত-পানী খাই শুই থাকিলো। পিচদিনাখন ৰবিবাৰ আছিল। ৰাতিপুৱা সোনকালে উঠি চাহ-জলপান খাই ছেৰাপুঞ্জী অভিমুখে যাত্ৰা কৰিলো। ৰবিবাৰ হোৱা বাবে সেইদিনা ছিলঙৰ সকলো দোকান বন্ধ আছিল। ছেৰাপুঞ্জী ছিলঙৰ পৰা ৫৬ কিঃ মিঃ দূৰত্বত অৱস্থিত। ছেৰাপুঞ্জীলৈ যোৱা পথবোৰ আছিল অকোৱা-পকোৱা, চাৰিওফালে পাহাৰ-পৰ্ব্বতেৰে আবৰা। ৰাস্তাৰ কাষৰ পাহাৰবোৰৰ ওপৰত মানুহৰ বসতিস্থল আৰু এই মানুহবোৰে পাহাৰৰ ঢাল কাটি কাটি ঝুম পদ্ধতিত বন্ধাকবি, ফুলকবি, মাকৈ আদিকে ধৰি বিভিন্ন শাক-পাচলি, ফল-মূল আদিৰ খেতি কৰিছে। ফুল মেঘালয়বাসীৰ প্ৰাণৰ আপোন। সেইবাবে হয়টো প্ৰতিঘৰ আবাসীৰ পদূলি আৰু বাৰাণ্ডা নানা ৰং-বিৰঙৰ ফুলেৰে উপচি থাকে। সেইদিনাখন গোটেই দিনটো ডাঠ কুঁৱলি আৰু ছিপ্-ছিপিয়া বৰষুণ পৰি আছিল বাবে পথবোৰ চিনিবই পৰা নাছিলো। তথাপি মেঘালয়ৰ এই প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি প্ৰায় ডেৰ ঘণ্টামানৰ পিছত আমি পাহাৰৰ একেবাৰে ওপৰত অৱস্থিত ছেৰাপুঞ্জী পাওঁ। ছেৰাপুঞ্জী অতি মনোমহা, চাৰিওফালে প্ৰাকৃতিক সৌন্দৰ্যৰ সমাহাৰ। প্ৰথমে আমি 'নোহ কালিকাই' জলপ্ৰপাত আৰু 'বাংলাদেশ ভিউ পইণ্ট' চালো। 'নোহ কালিয়াই' জলপ্ৰপাতৰ উত্তাল গতিৰ শব্দ বহু দূৰৈৰ পৰা শুনা যায়। আমি জনাত ভাগ্যই লগ দিলেহে এই জলপ্ৰপাতৰ অতুলনীয় শোভা উপভোগ কৰিবলৈ পোৱা যায়। কাৰণ বৰ্ষা কালত জলপ্ৰপাত প্ৰায় গোটেই দিনটো মেঘাচ্ছন্ন হৈ থাকে। খন্তেকৰ বাবে মেঘবোৰ আতৰিলেও কিছু কিছু অংশহে

দেখিবলৈ পোৱা যায়। ভাগ্যক্রমে সেইদিনাখন আমি অলপ সময়ৰ বাবে হ'লেও এই জলপ্ৰপাতৰ অতুলনীয় সৌন্দৰ্য সম্পূৰ্ণকৈ দেখা পাইছিলো। জলপ্ৰপাত ভিউ পইণ্টৰ কাষতে খাছি মহিলাৰ দ্বাৰা পৰিচালিত এখন ৰেষ্টুৰেণ্টত চাহ বিস্কুত খালো আৰু ৰেষ্টুৰেণ্টৰ কাষতে থকা ফুলৰ দোকান এখনৰ পৰা ফুলৰ থোপা কেইটামান কিনিলো। তাৰ পিছত আমি 'মোচিমাইকেভ' (গুহা) চাবলৈ গ'লো। এই গুহাৰ প্ৰবেশ মূল্য ৫ টকা। এই গুহা আৰণ্যক পৰিবেশৰ মাজত অৱস্থিত। গুহাটো ইমান ভয়লগা আছিল যে সোমাবলৈ ভয় লাগিছিল। তথাপি মৰণত শৰণ লৈ সোমালো। গুহাৰ অন্তভাৰ্গত বিজুলী চাকিৰ ব্যৱস্থা আছে যদিও গাইডৰ কোনো ব্যৱস্থা নাই। ভিতৰত প্ৰবেশ কৰি কিছুদুৰ আগবাঢ়ি গৈ দুটি পথ দেখা যায়। তাৰে সোফালৰ পথটো কিছু ওপৰত গৈ বন্ধ হৈ পৰিছে আৰু বাওঁফালৰ পথটোৰে গুহাৰ বাহিৰ ওলাব পাৰি। গুহাটোৰ মাজভাগত পানী জমা হৈ থাকে বাবে পাৰ হ'বলৈ দুডাল সাকোঁৰ ব্যৱস্থা কৰি দিয়া আছে। কোনো অংশত পথ ইমানেই ঠেক যে চুচৰি-বাগৰি সেই পথ অতিক্ৰম কৰিব লাগে। 'মোচিমাইকেভ'ৰ বৰ্ণনা দিয়াটো খুবেই কঠিন। বৰ্তমান এই কেভৰ সৌন্দৰ্যই বিভিন্ন দেশৰ পৰ্যটক সকলক ইয়ালৈ আকৰ্ষিত কৰিব ধৰিছে। 'মোচিমাইকেভ' চোৱাৰ পিছত আমি ছিলংলৈ বুলি বাট ল'লো। ছেৰাপুঞ্জীৰ পৰা ওভতাৰ পথত 'ইকো পাৰ্কত' সোমালো। এই পাৰ্কত বহুকেইটা জলপ্ৰপাত দেখিলো আৰু 'চেভেন চিষ্টাৰ ফল' চালো। তাৰ পিচত আমি ছিলংলৈ উভতি আহিলো। হোটেল পোৱাৰ লগে লগে হাত মুখ ধুই হোটেলৰ তলত থকা ৰেষ্টুৰেণ্টত ভাত খাই অলপ সময় ৰুমত জিৰণি লৈ সন্ধিয়া সময়ত গাড়ীৰে গোটেই ছিলঙৰ ৰাস্তাবোৰেৰে ফুৰি আহিলো। সন্ধিয়াৰ ছিলঙৰ অকোৰা-পকোৰা পাহাৰীয়া ৰাস্তাবোৰে আমাক অভিভূত কৰি তুলিছিল। ঘূৰি-ফুৰি আহি ৰাতিটো হোটেলতে কটালো। পিছদিনা ৯ তাৰিখ অৰ্থাৎ সোমবাৰে ৰাতিপুৱা উঠি যাৱতীয় প্ৰাতঃ কামবোৰ সমাধা কৰি আমাৰ বস্ত্ৰ-বাহিনীবোৰ সামৰি গাড়ীত তুলিলো, দেউতাই হোটেলৰ বিল দিলে আৰু আমি সকলোৱে গাড়ীত উঠি হোটেলৰ পৰা ওলাই আহিলো। আহোতে ছিলংত 'Elephant Falls' 'Wards Lake', 'Shillong Peak' চাই ঘৰলৈ বুলি ৰাওনা হ'লো। ঘৰলৈ ওভতাৰ পথত 'বৰাপানী লেক' চাই আমাৰ যাত্ৰা পুনৰ আৰম্ভ কৰিলোঁ। ২ মান বজাত আমি নংপো পাওঁ। তাত এখন ৰেষ্টুৰেণ্টত ভাত-পানী খাই ল'লো। ৰেষ্টুৰেণ্টৰ ওচৰতে এখন আচাৰৰ দোকান আছিল। দোকানখনৰ পৰা দুবটল জলকীয়াৰ আচাৰ কিনিলো। এনেদৰে মৰমৰ ছিলং চহৰখনক বিদায় জনাই ৫ মান বজাত আমি গুৱাহাটী পাওঁ। গুৱাহাটীত চাহ-পানী খাই ঘৰ অভিমুখে আগবাঢ়িলোঁ। প্ৰায় ৮ মান বজাত আমি ধূপধৰা আহি পালোহি। ঘৰ পোৱাৰ লগে লগে হাত-মুখ ধুই বিছনাত পৰিলোঁ। ৰাতি সপোনতো ছিলংখনেই দেখা পালোঁ।

ছিলং আৰু ছেৰাপুঞ্জীৰ সেই শাৰী শাৰী পাহাৰ, ওখ ওখ পাইন গছ, অকোৰা-পকোৰা পাহাৰীয়া ৰাস্তা আৰু ৰাস্তাৰ কাষত ফুলি থকা ৰং-বিৰংৰ ফুলবোৰ, ওপৰৰ পৰা বৈ অহা পাহাৰী নিজৰা আৰু নিজৰাৰ পানীৰ কুলু কুলু শব্দ আজিও স্মৃতি হৈ মোৰ মানসপটত ভাহি আছে। ❑❑

# বিকালী মহাবিদ্যালয়ৰ কিছু অভিজ্ঞতা

মিচ্ হাচিমুন বেগম
স্নাতক ২য় বৰ্ষ (কলা)
(অসমীয়া বিভাগ)

২০০৭ চনৰ ১৩ এপ্ৰিল তাৰিখে মোৰ শ্ৰদ্ধাৰ চিৰ চেনেহী বিকালী মহাবিদ্যালয়ে ২৫ টা বসন্ত পূৰ্ণ কৰিব। মহাবিদ্যালয়খনৰ বাবে ই এটি গৌৰৱৰ বিষয়। ইতিমধ্যে বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মীবৃন্দ তথা বিকালী অঞ্চলবাসীৰ ৰাইজৰ সক্ৰিয় সহায়-সহযোগিতাৰে মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী উৎসৱ মহা ধুম-ধামেৰে আয়োজন কৰা হৈছে। এই লিখনিৰ জৰিয়তে মহাবিদ্যালয়খনত লাভ কৰা অভিজ্ঞতাৰ বিষয়ে এটি চমু আলোচনা আগবঢ়াবলৈ প্ৰয়স কৰা হৈছে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ মনত সিদ্ধান্ত লওঁ মই বিকালী মহাবিদ্যালয়ত নাম ভৰ্তি কৰিম। সেই উদ্দেশ্যে ২০০৩ চনত বিকালী মহাবিদ্যালয়ত নাম লিখো। কলেজীয়া জীৱনৰ প্ৰথমটো ক্লাছ মোৰ শ্ৰদ্ধাৰ চাৰ শ্ৰীযুত ভূপতি দাসৰ আছিল। তেওঁৰ প্ৰথমটো ক্লাছ কৰি পাইছিলো হৃদয়ত অনাবিল আনন্দ।

মহাবিদ্যালয়খনত তেতিয়া আছিল কেৱল কলা শাখা। এতিয়া আৰু বাণিজ্যিক শাখা সংযোজিত হৈ বিকালীৰ জেউতী বাঢ়িল। মহাবিদ্যালয়খনৰ মাথো এটাই দুখলগা অধ্যায় হ'ল মহাবিদ্যালয়খনত বিজ্ঞান শাখাৰ অভাৱ। মই আশা ৰাখিছো অনুতিপলমে বিজ্ঞান শাখাটো মুকলি হৈ অঞ্চলবাসী ৰাইজৰ বহুদিনীয়া আশা এটি পূৰণ হ'ব।

মোৰ চকুৰ আগতে মহাবিদ্যালয়খনৰ উন্নতি দেখি আনন্দিত হৈছো। কিয়নো যেতিয়া মই প্ৰথম মহাবিদ্যালয়খনত নাম ভৰ্তি কৰিছিলো তেতিয়া মহাবিদ্যালয়খনত Girls Hostel বা Boy's Hostel নাছিল। কিন্তু এতিয়া সেই অভাৱো পূৰণ হৈছে।

মহাবিদ্যালয়খনে কেৱল আনুষ্ঠানিক শিক্ষাৰ লগতে সম্বন্ধ নাৰাখি ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে সহ-পাঠ্যক্ৰমৰ শিক্ষা যেনে—খেল-ধেমালি, নৃত্য-গীত, বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক অনুষ্ঠান আদি পাতি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে সুবিধা প্ৰদান কৰিছে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক প্ৰতিভা বিকাশৰ বাবে বছৰেকীয়া আলোচনী "বিকালীয়ান", আৰু প্ৰাচীৰ পত্ৰিকা নিয়মীয়াকৈ প্ৰকাশ কৰে। মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণি সভা আদি অনুষ্ঠানৰ মাধ্যমেদি ছাত্ৰ-ছাত্ৰীৰ সুস্থ প্ৰতিভা বিকাশৰ পৰিবেশ সৃষ্টি কৰাৰ বিকালী মহাবিদ্যালয়ে সদায় অগ্ৰণি ভূমিকা পালন কৰি আহিছে। উল্লেখযোগ্য যে মহাবিদ্যালয়খনে প্ৰতিটো বিভাগৰ পৰা সুকীয়া প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীক লিখিবলৈ অনুপ্ৰাণিত কৰি আহিছে। বড়ো আৰু ৰাভা সাহিত্য চৰাৰ উদ্যোগত সুকীয়া সুকীয়াকৈ প্ৰাচীৰ পত্ৰিকা আলোচনীৰ প্ৰকাশ কৰি এই ভাষা সমূহৰ উত্তৰোণৰ বাবে প্ৰচেষ্টা অব্যহত ৰখা হৈছে।

বিকালী মহাবিদ্যালয়ৰ ৰাভা ছাত্ৰ-ছাত্ৰীৰ পৰা ছাংকীয়া উন্মোচন কৰা হয়।

বিকালী মহাবিদ্যালয়ৰ এইটো এটা উল্লেখনীয় বিষয় যে মহাবিদ্যালয়ৰ কোনোবা এটা বিভাগৰ পৰা প্ৰতি বছৰে শিক্ষামূলক 'ভ্ৰমণলৈ' যোৱা হয়। এই বেলি মইও গৈছিলো অসমীয়া বিভাগৰ পৰা মাজুলী আৰু শিৱসাগৰলৈ। ভ্ৰমণ! যেন শব্দটোৰ মাদকতাই বেলেগ। বন্ধু-বান্ধৱীৰ সংগত বৰ্হিজগতত অনাবিল আনন্দৰে

ফুৰা। আজিও সোঁৱৰণী জিলিকে মোৰ মানস পটত।

মহাবিদ্যালয়খনত চাৰ-বাইদেউ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্বন্ধ অতি মধুৰ আৰু নীবিড়। চাৰ-বাইদেউ সকলে মৰমেৰে শিকায় ছাত্ৰ-ছাত্ৰীক। যেন একেখন ঘৰৰ পৰিয়ালৰ সদস্যহে। কিবা এটা বুজি নাপালে। দ্বিতীয়বাৰৰ বাবে সুধিলে তেওঁলোকে ন-উদ্যমেৰে শিকাই দিয়ে। এই সুযোগতে তেওঁলোকলৈ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বা আমাৰ বাবে এইটো সুখৰ বিষয় যে মহাবিদ্যালয়ৰ চাৰ-বাইদেউৱে আমাৰ উদ্দেশ্যে মাজে-সময়ে বক্তৃতা মঞ্চ অনুষ্ঠিত কৰে। তালৈ বিশিষ্ট ব্যক্তি আমন্ত্ৰিত হয়। তেওঁলোকৰ বক্তৃতা তথা উপদেশে আমাক সমাজ তথা দেশৰ সুনাগৰিক ৰূপে জীয়াই থাকিবলৈ প্ৰেৰণা যোগায়।

মহাবিদ্যালয়খন আৰু এটা উল্লেখনীয় বিষয় হ'ল মহাবিদ্যালয়খনৰ N.S.S. (National Service Scheme) শিবিৰ। এই শিবিৰত ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে। আৰু ইয়াৰ তত্বাৱধায়ক ৰূপে থাকে আমাৰ শ্ৰদ্ধাৰ কোনোবা এজন চাৰ বা বাইদেউ। এই N.S.S. শিবিৰৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ ছাফাই কাম কৰি ৰাষ্ট্ৰ এখনৰ উন্নতিৰ হকে কাম কৰে।

যোৱা ২০০৬ ইং বৰ্ষত মইও যোগদান কৰিছিলো N.S.S. শিবিৰত। তিনিদিনীয়া কাৰ্যসূচীৰ সম্পূৰ্ণ হৈছিল এই N.S.S. শিবিৰ। ইয়াত যোগদান কৰি মই নথৈ আনন্দিত হৈছিলো কিয়নো বন্ধু-বান্ধৱীৰ লগত সমাজ বা ৰাষ্ট্ৰ এখনৰ হকে মই যে কিছু হ'লেও সেৱা আগবঢ়োৱাৰ সুবিধা পাইছিলোঁ।

শিবিৰত থকা কেইদিন পুৱাতে উঠি লৈ আমাক 'যোগসান' কৰাইছিল আমাৰ এজন চাৰ আৰু স্থানীয় শিক্ষক এজনে। শেষৰ দিনাখন আমি ওচৰৰ আদৰ্শপাৰা গাঁওত জৰিপ কৰিছিলো আৰু গাঁওখনৰ নানা তথ্য সংগ্ৰহ কৰি গধুলিকৈ গাঁওখনৰ উন্নতিৰ হকে আমি নানা আলোচনা কৰিছিলো। শিবিৰত থকা কেইদিন আমি গধুলিকৈ নৃত্য-গীত, কৌতুক অভিনয় আদি নানা আমোদ লগা ব্যৱস্থা গ্ৰহণ কৰিছিলোঁ। মই ভৱিষ্যতলৈ আশা ৰাখিছো যেন আৰু তেনেকুৱা কিবা এটি সুবিধা আমিবোৰে পাম। মোৰ যে সেই দিনবোৰ এতিয়াও জিলিকি আছে দুচকুৰ পটাত।

মই এইবেলি ২০০৭ ইং বৰ্ষত স্নাতক দ্বিতীয় বৰ্ষৰ পৰীক্ষা দিবলৈ ওলাইছো। সেই হেতুকে কিছু অভিজ্ঞতা মই ইয়াত ব্যক্ত কৰিলো। আৰু হয়তো মোৰ মহাবিদ্যালয়ৰ অভিজ্ঞতা কিছু হ'লেও হ'ব। আগন্তুক ৰূপালী বৰ্ষৰ শুভেচ্ছা যাচিছোঁ আৰু মোৰ চাৰ-বাইদেউক মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

শেষত বিকালী মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ। □□

।। জয়তু বিকালী মহাবিদ্যালয়।।

# পাহৰণি কবি যতীন্দ্ৰ নাথ দুৱৰা

মিচ্ মৌচুমী গোস্বামী
স্নাতক (২য় বৰ্ষ)

ৰমন্যাসিক কবি সকলৰ ভিতৰত কবি যতীন্দ্ৰ নাথ দুৱৰা অন্যতম। দুৱৰাই নিজক "ভাগ্যহীন জীৱনৰ সুৰহীন গান"ৰ অধিকাৰী বুলি কৈছে। তেওঁৰ কবিতাসমূহৰ মাজেদি সাৱলীল, কোমল, মধুৰ, কৰুণ ৰসসিক্ত আৰু আত্মকেন্দ্ৰিক ভাৱ প্ৰকাশ পাইছে। 'বনফুলৰ কবি' হিচাপে খ্যাতি লাভ কৰা কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱ 'পাহৰণি কবি' হিচাপেও পৰিচিত। দুৱৰাক 'পাহৰণি কবি' বুলি কোৱাৰ মূলতে আছে তেওঁ বিৰচিত চাৰিটা কবিতা। এই কবিতা চাৰিটা হ'ল— অতীতক যোৱাহে পাহৰি, অতীতক নাযাবা পাহৰি, শূন্য পৰিচয় আৰু আজি মোক যোৱাহে পাহৰি।

বহু কবিয়ে কৰুণ ৰসেৰে কাব্যজগত তিয়াই গৈছে। তেওঁলোকৰ দুখ নিবৃত্তিৰ বাট সুকীয়া। কিন্তু কবি যতীন্দ্ৰ নাথ দুৱৰা এক বিশেষ শ্ৰেণীৰ কবি। তেওঁৰ কবিতা চাৰিটাই নিৰ্জনতাৰ আশ্ৰয় লৈ, ভৱিষ্যত গৌৰৱৰ সপোন দেখি নিজৰ জীৱনৰ দুখ গলাব বিচৰা নাই, বিচাৰিছে মাথো পাহৰণি। দুৱৰাৰ মনত জীৱনটো 'সুখৰ সোঁতত ভাহে দুখৰ নাওত' যদিও শান্তিজল স্পৰ্শ কৰিব নোৱাৰে। অতীতৰ স্মৃতি প্ৰাণহীন প্ৰতিমাৰ ব্যৰ্থ আবেদনৰ হিয়া ভগা সোঁৱৰণ। সেয়ে কবি দুৱৰাই মনক বুজালে অতীতক যোৱাহে পাহৰি।

'সুঁৱৰি সুঁৱৰি কিয় অতীতৰ স্মৃতি
মিছাতেই নিজে দুখ পোৱা।
মুখানি মোলান কিয়, মিছাতে চকুলো
অতীতক পাহৰি পেলোৱা।'
(অতীতক যোৱাহে পাহৰি)

কিন্তু অতীতক পাহৰা কথাটি সহজ নহয়। কবিয়ে অনুভৱ কৰিছে মানুহৰ জীৱন নোপোৱাৰ বিননিৰে পৰিপূৰ্ণ। পৃথিৱীখনৰ পৰা আঁতৰি যোৱাৰ পিছত কবিক যাতে এই পৃথিৱীখনে পাহৰি নাযায়, সেইবাবে কবিয়ে এনেদৰে লিখিছে—

'চেনেহৰ সখা মোৰ শেষ অনুৰোধ,
অতীতক নাযাবা পাহৰি।
সপাপি জীৱন খেলা বসুধা বুকুত
যায়গৈ যিদিনা আঁতৰি
অতীতক নাযাবা পাহৰি।'
(অতীতক নাযাবা পাহৰি)

পাহৰি যোৱা আৰু নোযোৱাৰ অন্তৰালত পৰি কবি দুৱৰাই আকুল হৈ পৰিছে। সেয়ে তেওঁ 'শূন্য পৰিচয়' কবিতাৰ প্ৰথম শাৰীত কৈছে—

'মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰনেৰে ঢকা।'

কবিয়ে অনুভৱ কৰিছে তেওঁৰ অন্তৰখন জেতুকা পাতৰ দৰে ৰক্তাক্ত, ক্ষতঃ বিক্ষতঃ। জেতুকা পাত দেখিবলৈ সেউজীয়া আৰু কোমল, কিন্তু এই কোমলতাৰ মাজত লুকাই আছে এক উজ্বল ৰক্তিম। অতীতৰ স্মৃতি বিলাক পাহৰিব খুজিও পাহৰিব পৰা নাই। কবি দুৱৰাই অন্তৰৰ মাজতে সেই বিষাদময় স্মৃতি বিলাক ৰাখিব বিচাৰিছে। দুৱৰাৰ দৃষ্টি প্ৰেক্ষ সপোনৰ দৰে খন্তেকীয়া।

বৰফ সূৰ্য্যৰ প্ৰখৰ ৰ'দত গলি যোৱাৰ দৰে মনৰ দুখ লোক বিস্মৃতিৰ মাজত গলি যায়। দুখ আৰু সুখৰ কথা মনলৈ আহে তেতিয়া, যেতিয়া মানুহে বাহ্যিক জগতৰ লগত সংঘৰ্ষত লিপ্ত হয়। সেই কাৰণে কবি দুৱৰাই নিজকে কোনো দুখে আঘাত কৰিব নোৱাৰাকৈ আঁতৰাই আনিব বিচাৰিছে।

'আকুল উদাস সুৰে উঠিব জগৎজুৰি

গভীৰ বেদনাৰাশি অন্তৰ মাজত,
নালাগে চেনেহ কাৰো নিবিচাৰো হুমুনিয়াহ
সাগৰতে মাৰ যায় ঢৌ সাগৰৰ।'
(শূন্য পৰিচয়)

সাগৰত বলা বা-মাৰলিয়ে সোঁমাজৰ ঠাই স্পৰ্শ নকৰাকৈ পৰিধিৰ চাৰিওফালে ঘূৰাৰ দৰে বিচ্ছেদ স্বৰূপ লোক স্মৃতিয়ে স্পৰ্শ নকৰিলে কবি দুৰৰাই নিৰাময় হৈ পৰিব বুলি তেওঁ তেওঁৰ কবিতাত কৈছে—

'মাতিছোঁ কাকুতি কৰি
দুই হাত যুৰি
আজি মোক যোৱাহে পাহৰি।'

নিজৰ সকলো দুখ লৈ সকলোৰে বিস্মৃতিৰ মাজত আত্মগোপন কৰাটোৱেই দুৰৰা কবিতাৰ পাহৰণি তত্ব। কাব্য জগতত দুৰৰাৰ এই তত্ব স্বকীয়, কিন্তু পাহৰণি তেওঁৰ নিজৰ নহয় আনৰ বাবেহে। ❑❑

· সংগ্ৰহ পুথি ঃ "পঞ্চপুষ্প"

# পাহৰণি কবি যতীন্দ্ৰ নাথ দুৱৰা

মিচ্ মৌচুমী গোস্বামী
স্নাতক (২য় বৰ্ষ)

ৰমন্যাসিক কবি সকলৰ ভিতৰত কবি যতীন্দ্ৰ নাথ দুৱৰা অন্যতম। দুৱৰাই নিজক "ভাগ্যহীন জীৱনৰ সুৰহীন গান"'ৰ অধিকাৰী বুলি কৈছে। তেওঁৰ কবিতাসমূহৰ মাজেদি সাৱলীল, কোমল, মধুৰ, কৰুণ ৰসসিক্ত আৰু আত্মকেন্দ্ৰিক ভাৱ প্ৰকাশ পাইছে। 'বনফুলৰ কবি' হিচাপে খ্যাতি লাভ কৰা কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱ 'পাহৰণি কবি' হিচাপেও পৰিচিত। দুৱৰাক 'পাহৰণি কবি' বুলি কোৱাৰ মূলতে আছে তেওঁ বিৰচিত চাৰিটা কবিতা। এই কবিতা চাৰিটা হ'ল— অতীতক যোৱাহে পাহৰি, অতীতক নাযাবা পাহৰি, শূন্য পৰিচয় আৰু আজি মোক যোৱাহে পাহৰি।

বহু কবিয়ে কৰুণ ৰসেৰে কাব্যজগত তিয়াই গৈছে। তেওঁলোকৰ দুখ নিবৃত্তিৰ বাট সুকীয়া। কিন্তু কবি যতীন্দ্ৰ নাথ দুৱৰা এক বিশেষ শ্ৰেণীৰ কবি। তেওঁৰ কবিতা চাৰিটাই নিৰ্জনতাৰ আশ্ৰয় লৈ, ভৱিষ্যত গৌৰৱৰ সপোন দেখি নিজৰ জীৱনৰ দুখ গলাব বিচৰা নাই, বিচাৰিছে মাথো পাহৰণি। দুৱৰাৰ মনত জীৱনটো 'সুখৰ সোঁতত ভাহে দুখৰ নাওত' যদিও শান্তিজল স্পৰ্শ কৰিব নোৱাৰে। অতীতৰ স্মৃতি প্ৰাণহীন প্ৰতিমাৰ ব্যৰ্থ আবেদনৰ হিয়া ভগা সোঁৱৰণ। সেয়ে কবি দুৱৰাই মনক বুজালে অতীতক যোৱাহে পাহৰি।

'সুঁৱৰি সুঁৱৰি কিয় অতীতৰ স্মৃতি
মিছাতেই নিজে দুখ পোৱা।
মুখানি মোলান কিয়, মিছাতে চকুলো
অতীতক পাহৰি পেলোৱা।'
(অতীতক যোৱাহে পাহৰি)

কিন্তু অতীতক পাহৰা কথাটি সহজ নহয়। কবিয়ে অনুভৱ কৰিছে মানুহৰ জীৱন নোপোৱাৰ বিননিৰে পৰিপূৰ্ণ। পৃথিনীখনৰ পৰা আঁতৰি যোৱাৰ পিছত কবিক যাতে এই পৃথিৱীখনে পাহৰি নাযায়, সেইবাবে কবিয়ে এনেদৰে লিখিছে—

'চেনেহৰ সখা মোৰ শেষ অনুৰোধ,
অতীতক নাযাবা পাহৰি।
সপাপি জীৱন খেলা বসুধা বুকুত
যায়গৈ যিদিনা আঁতৰি
অতীতক নাযাবা পাহৰি।'
(অতীতক নাযাবা পাহৰি)

পাহৰি যোৱা আৰু নোযোৱাৰ অন্তৰালত পৰি কবি দুৱৰাই আকুল হৈ পৰিছে। সেয়ে তেওঁ 'শূন্য পৰিচয়' কবিতাৰ প্ৰথম শাৰীত কৈছে—

'মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰনেৰে ঢকা।'

কবিয়ে অনুভৱ কৰিছে তেওঁৰ অন্তৰখন জেতুকা পাতৰ দৰে ৰক্তাক্ত, ক্ষতঃ বিক্ষতঃ। জেতুকা পাত দেখিবলৈ সেউজীয়া আৰু কোমল, কিন্তু এই কোমলতাৰ মাজত লুকাই আছে এক উজ্জ্বল বক্তিম। অতীতৰ স্মৃতি বিলাক পাহৰিব খুজিও পাহৰিব পৰা নাই। কবি দুৱৰাই অন্তৰৰ মাজতে সেই বিষাদময় স্মৃতি বিলাক ৰাখিব বিচাৰিছে। দুৱৰাৰ দৃষ্টি প্ৰেক্ষ সপোনৰ দৰে খন্তেকীয়া।

বৰফ সূৰ্য্যৰ প্ৰখৰ ৰ'দত গলি যোৱাৰ দৰে মনৰ দুখ লোক বিস্মৃতিৰ মাজত গলি যায়। দুখ আৰু সুখৰ কথা মনলৈ আহে তেতিয়া, যেতিয়া মানুহে বাহ্যিক জগতৰ লগত সংঘৰ্ষত লিপ্ত হয়। সেই কাৰণে কবি দুৱৰাই নিজকে কোনো দুখে আঘাত কৰিব নোৱাৰাকৈ আঁতৰাই আনিব বিচাৰিছে।

'আকুল উদাস সুৰে উঠিব জগৎজুৰি

গভীৰ বেদনাৰাশি অন্তৰ মাজত,
নালাগে চেনেহ কাৰো নিবিচাৰো হুমুনিয়াহ
সাগৰতে মাৰ যায় ঢৌ সাগৰৰ।'
(শূন্য পৰিচয়)

সাগৰত বলা বা-মাৰলিয়ে সোঁমাজৰ ঠাই স্পৰ্শ নকৰাকৈ পৰিধিৰ চাৰিওফালে ঘূৰাৰ দৰে বিচ্ছেদ স্বৰূপ লোক স্মৃতিয়ে স্পৰ্শ নকৰিলে কবি দুৰৰাই নিবাময় হৈ পৰিব বুলি তেওঁ তেওঁৰ কবিতাত কৈছে—

'মাতিছোঁ কাকুতি কৰি
দুই হাত যুৰি
আজি মোক যোৱাহে পাহৰি।'

নিজৰ সকলো দুখ লৈ সকলোৰে বিস্মৃতিৰ মাজত আত্মগোপন কৰাটোৱেই দুৰৰা কবিতাৰ পাহৰণি তত্ত্ব। কাব্য জগতত দুৰৰাৰ এই তত্ত্ব স্বকীয়, কিন্তু পাহৰণি তেওঁৰ নিজৰ নহয় আনৰ বাবেহে। ❑❑

**· সংগ্ৰহ পুথি ঃ "পঞ্চপুষ্প"**

# ৰাভা ভাষা সাহিত্যৰ বৰ্তমান আৰু ভৱিষ্যত

Shri Tanmoy Kr. Rabha, G.S.
Bikali College

উত্তৰ-পূৰ ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি অসম। এই মিলন তীৰ্থ স্বৰূপ অসমৰ সমাজ সংস্কৃতিৰ বৰঘৰ শুৱনি কৰা পাহাৰ-ভৈয়ামৰ অন্যান্য জনগোষ্ঠীৰ ভিতৰত ৰাভা জনগোষ্ঠী অন্যতম। অসমত অতীতৰে পৰা বসবাস কৰি অহা জনগোষ্ঠীসমূহৰ নিজা নিজা সুকীয়া ভাষা-সাহিত্য, সংস্কৃতি আছে। এই সংস্কৃতিসমূহৰ সংমিশ্ৰনতেই বৃহত্তৰ অসমীয়া সংস্কৃতি গঢ়লৈ উঠিছে। ভাষা, বৰ্ণ নিৰ্বিশেষে বড়ো, মিচিং, গাৰো, কাৰ্বি আদি জনগোষ্ঠীৰ ভাষা-সাহিত্য যিদৰে অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ ঠিক তেনেদৰে ৰাভা জনগোষ্ঠীৰ ভাষা-সাহিত্য, সংস্কৃতিক বাদ দি অসমীয়া সংস্কৃতিৰ কথা কল্পনা কৰিব নোৱাৰি। ১৯৯১ চনৰ লোকপিয়ল মতে উত্তৰ-পূৰ ভাৰতত ৰাভা ভাষা আৰু জাতিৰ সংখ্যা হ'ল—অসমত ১,১২,৪২৪, অৰুণাচলত ১৩৪, মণিপুৰত—, মেঘালয়ত ২০,৪৫৫, মিজোৰাম ৩, নাগালেণ্ড ১৮, চিকিম—, ত্ৰিপুৰা আৰু ভাৰতত ৰাভা ভাষা জাতিৰ লোক ১,৩৯,৩৬৫ জন।

ৰাভা ভাষা সাহিত্য খৃষ্টাব্দ 1832 চনত লিখা মিৰ্জানামানৰ অভিযান সম্পৰ্কীয় বুৰঞ্জী পুথি বাহাৰিস্তান-ই-ঘাইবী (Baharistan-I-Ghaybi) 1986 Dr. M.I. Bora ইংৰাজী অনূদিত ৰাভা জাতিৰ নামটো স্পষ্ট ভাৱে পোৱা যায় যদিও ৰাভা ভাষাৰ বিষয়ে আৰু প্ৰাচীন ৰাভা সাহিত্য নিদৰ্শন খ্ৰষ্টীয় উনবিংশ শতিকাৰ আগলৈ ক'তো পোৱা নাযায়। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই উল্লেখ কৰাৰ দৰে পঞ্চৰত্ন পাহাৰৰ গাতে লাগি থকা বেন্দু-বেন্দু পাহাৰৰ শিলত কটা চিত্ৰধৰ্মী লিপিটো যদি দেওধাই লিপি হয় তেন্তে ইয়াক ৰাভা বা কিৰাত-কছাৰী জাতিৰ প্ৰাচীন লিপি বুলি ধৰা যাব আৰু ইয়াৰ কাল খৃষ্টীয় প্ৰথম শতিকা হ'ব পাৰে বুলি পণ্ডিত সকলে অনুমান কৰে। বেন্দু-বেন্দু নামৰ ৰাভাৰ অন্যতম এই দেৱতাৰ আবাস স্থান আৰু ছাম্ভোৰৰ ৰাভাবীৰ পৰশুৰামৰ আত্মগোপন কক্ষ হিচাপে জনা যায়। ইয়াৰ ওচৰে-পাজৰে সদ্য আৱিষ্কৃত বিভিন্ন মৃৎ পাত্ৰ, মাটিৰ ঘুৰি, বিভিন্ন অস্ত্ৰ-শাস্ত্ৰ আৰু তাৰ লগত জড়িত জনশ্ৰুতি আদিয়ে এই অঞ্চল ৰাভাৰ আদিম বাসভূমিৰ পৰিচয় দাঙি ধৰিছে।

তিব্বত-ধৰ্মীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত অন্যান্য জনগোষ্ঠীৰ দৰে ৰাভা জনগোষ্ঠী ভাষাৰ নিজস্ব লিপি নাছিল বাবে ৰাভা ভাষাৰ কোনো শিলালিপি, তাম্ৰলিপি বা সাঁচিপাত আদিত পাণ্ডুলিপি পোৱা নাযায়। উনবিংশ শতিকাৰ শেষ ভাগৰ পৰাহে বৃটিছ মনীষীসকলৰ বিভিন্ন বিৱৰণ বা প্ৰতিবেদনত ৰাভা ভাষা সম্বন্ধে দুই এক মন্তব্য পোৱা যায়। এইবোৰৰ ভিতৰত নিম্ন উল্লেখিত কেইখন মানে অন্যতম Linguistic Survey of India 1903 ত লিপিৰদ্ধ। 1900 খ্ৰীঃৰ ৰেভাৰেণ্ডৰ 'The Prodigal Son'ৰ ৰাভা অনুদাব। ইয়াৰ ভিত্তিতে গ্ৰীয়াৰছন চাহাবে ৰাভা ভাষাৰ ব্যাকৰণিক টোকা যুগুত কৰাৰ উপৰিও গাৰো, বড়ো, তিৱা ইত্যাদি ভাষাৰ লগত কৰা ৰাভা ভাষাৰ তুলনামূলক সাদৃশ্য, প্ৰাক্-স্বাধীনতা যুগত বিচ্ছিন্ন নৃতাত্ত্বিক আৰু ইতিহাসবিদে প্ৰসংগক্ৰমে তেওঁলোকৰ বিভিন্ন গ্ৰন্থত ৰাভা ভাষা সংস্কৃতি সম্বন্ধে কৰা উল্লেখ, এই সমূহৰ ভিতৰত Playfair ৰ The Garos (1909), Endle ৰ Thekachari is (1911) আৰু Dalton ৰ Ethnology of Bengal (1872).

ৰাভা সাহিত্যৰ বুৰঞ্জীক আলোচনাৰ সুবিধাৰ্থে আৰু প্ৰকাশৰ কাল ভাব আৰু ৰূপক ভিন্নতা অনুসৰি

ভাষাবিদ, পণ্ডিত সকলে প্ৰধান তিনিটা ভাগত ভাগ কৰিছে। যেনে—আদি যুগ বা উদ্ভৱকালীন যুগ, মধ্য যুগ আৰু আধুনিক বা সাম্প্ৰতিক যুগ। ইয়াৰোপৰি মধ্যযুগক আৰু তিনিটা ভাগত ভাগ কৰিছে। যেনে—প্ৰথমস্তৰ বা প্ৰাক্ চাম্পায় যুগ, দ্বিতীয় স্তৰ বা চাম্পায় যুগ আৰু তৃতীয় স্তৰ বা উত্তৰ চাম্পায় যুগ।

ৰাভা ভাষা সাহিত্য আৰাম্ভণিৰ পৰা 1911 খ্ৰীঃ আদি যুগ অৰ্থাৎ প্ৰাৰম্ভিক যুগ বা উদ্ভৱকালীন যুগ হিচাপে বিবেচিত হৈছে। এই সময়ছোৱাত ৰচিত হোৱা ৰাভা ভাষা সাহিত্যৰ ভিতৰত অন্যতম কেইখনমান হ'ল—W.W. Hunter ৰ Statistical Accounts of the District of Jalpaiguri (1876) ত দিয়া ৰাভা সম্পৰ্কীয় চমু আভাস। G.H. Domant ৰ Notes on the locality and population of the Tribes dwelling between the Brahamaputra and Ningthi river নামৰ উল্লেখিত 22 টা মাত্ৰাই (মায়তৰি) শব্দৰ তালিকাসহ ৰাভা ভাষাৰ চমু বিৱৰণ আদি। এইদৰে 1876 খ্ৰীঃৰ পৰা 1911 খ্ৰীঃলৈ ৰচিত হোৱা ৰাভা ভাষা বিষয়ক টোকা, শব্দপুথি অনুবাদ আদিৰ ৰাভা ভাষা সাহিত্যৰ যুগ আৰাম্ভ হয়।

ৰাভা ভাষা সাহিত্য বুৰঞ্জীত প্ৰাক্ চাম্পায় স্তৰ বুলিলে 1912 খ্ৰীঃৰ পৰা 1977 খ্ৰীঃলৈ প্ৰকাশ হয়। এই সময়ছোৱাত ৰাভা ভাষা সাহিত্যৰ বহুত পুস্তিকা প্ৰকাশ পায়।

ৰাভা সাহিত্যৰ একান্ত সাধক, আজীৱন গৱেষক হিচাপে প্ৰতিষ্ঠিত হ'ল ৰাজেন ৰাভা। তেখেতৰ অৱদানত ৰাভা ভাষা সাহিত্য উল্লেখনীয়। সদৌ অসম প্ৰাইমাৰী শিক্ষক সন্মিলনীৰ মুক্তি নামৰ আলোচনী (1950) 'সুখৰ সন্ধান' নামৰ প্ৰৱন্ধ লিখি আত্মা প্ৰকাশ কৰা ৰাভাই 1955-57 'কিশলয়' আৰু তিতাবৰ বুনিয়াদী প্ৰশিক্ষণ বিদ্যালয় আলোচনী 'উদয়ন' (1955) সম্পাদনা কৰে। তেখেতৰ প্ৰকাশিত পুথি 'ৰাভা সাধু' (1977) ৰাভা শব্দ সম্ভাৰ (1982) ৰাজেন ৰাভাৰ প্ৰৱন্ধকুঞ্জ (1986) তেখেতক সঞ্চালক, নৰেন ৰাভা সভাপতি আৰু ৰাজেন পামক সম্পাদক হিচাপে লৈ গঠিত 'ৰাভা ভাষা পৰিষদ' দুখনৈয়ে প্ৰাথমিক, মাধ্যমিক, প্ৰবোধ পৰীক্ষাৰ ব্যৱস্থা কৰি প্ৰয়োজনীয় পাঠ্যপুথি প্ৰকাশৰ ব্যৱস্থা হাতত লয়। ছক দুৎসবায় (পৌইলা ছাও/আনি ছাও/আনথাম ছাও, ৰাভা ব্যাকৰণ—১ ম ভাগ (1983) 'ৰাভা শব্দ' পুথি আদি ৰাভা ভাষা সাহিত্যৰ অন্যান্য অৱদান।

উত্তৰ চাম্পায় স্তৰ বুলিলে 1983 খ্ৰীঃৰ পৰা 1996 খ্ৰীঃৰ ভিতৰত হোৱা ৰাভা ভাষা সাহিত্যৰ উত্তৰণকে অভিহিত কৰা হয়। চাম্পায় আলোচনীৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ পিছত বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ, মুখ পত্ৰ, কাকত আদিত প্ৰকাশ পাই থকা কবিতা চুটি গল্প, প্ৰৱন্থৰ উপৰিও বিভিন্ন অনুষ্ঠানে ৰাভা ভাষা সাহিত্যৰ ধাৰা উৰ্বৰা কৰি ৰখা চেষ্টা অব্যাহত ৰাখে। এই সময়ত অসম চৰকাৰে গোৱালপাৰা, ধুবুৰী আৰু বঙাইগাঁও জিলাৰ ৰাভা অধ্যুষিত 70 খন প্ৰাথমিক বিদ্যালয়ত ৰাভা ভাষা প্ৰৱৰ্তন কৰি তৃতীয় শ্ৰেণীলৈ মাধ্যম আৰু চতুৰ্থ শ্ৰেণীৰ পৰা ঐচ্ছিক বিষয় হিচাপে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰে আৰু চৰকাৰে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ দ্বাৰা অনুমোদিত 'চাগ পিদান' থাকছা (1987) প্ৰকাস কৰে। 1973 চনত জন্ম লাভ কৰে বেবাক ৰাভা ক্ৰৌৰাং ৰুঞ্চমৰ সৌজন্যত মণি ৰাভা, বাণেশ্বৰ কোচ, অমৰসিং কোচ, লিষ্টি ৰাভা, হেৰম্ভ ৰাভা প্ৰভৃতি সাহিত্যিক পণ্ডিত সকলৰ নেতৃত্বত 1982 চনলৈ বহু কেইবাৰ লেখক শিবিৰ বহুৱাই চাৰিখন পাঠ্যপুথি 'চাগ পিদান' ১ম, ২য়, ৩য়, ৪ৰ্থ মান পঢ়ানি (1982) আৰু ৰুঞ্চমৰ দ্বাৰা অনুমোদিত ব্যাকৰণ পুথি 'ফেনহুৱাৰাং' (1991) শব্দ পুথি হাগহুৰাং (1994) ছপা কৰি উলিয়াই। সেইদৰে

1980 চনত সকলো শ্ৰেণীৰ লোক পঢ়িব, শিকিব পৰা ব্যৱস্থা কৰিবলৈ জন্ম লয় 'ৰাভা ভাষা পৰিষদ'। ৰাজেন ৰাভা (সঞ্চালক), নৰেন ৰাভা (সভাপতি) আৰু ৰাজেন পামক সম্পাদক হিচাপে লৈ গঠিত দুধনৈস্থ এই পৰিষদে 1982 চনত ৰাভা ব্যাকৰণ (প্ৰথম ভাগ) ছকদুংমবায়, ৰাভা শব্দ পুথি পাৰ-ঝম্পাৰ, ৰাভা ব্যাকৰণ (দ্বিতীয় ভাগ) পাঠ্যপুথি প্ৰণয়ন কৰি অসমৰ ১০খন পৰীক্ষা কেন্দ্ৰত ৰাভা ভাষাৰ পৰীক্ষাৰ ব্যৱস্থা কৰে আৰু 1989 চনত পাৰ-ঝম্পুৰ, ছকদুংমবায় পাঠ্যপুথি প্ৰকাশ কৰে। 1989 চনত পুনৰ এই পৰিষদৰ দ্বাৰা প্ৰৱৰ্তিত পাঠ্যক্ৰমত কিছু সংযোজনা বিয়োজন ঘটাই পাঁচটা স্তৰত চূড়ান্ত ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰে আৰু কেইখনমান পুথি প্ৰকাশৰ লগতে অন্যান্য লেখকৰ পুথি অনুমোদন জনাই সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাত সহায় কৰে।

1997 খ্ৰীঃৰ পৰা বৰ্তমান সময়লৈ ৰাভা ভাষা সাহিত্য বুৰঞ্জীৰ আধুনিক বা সাম্প্ৰতিক যুগ বুলি ধৰা হয়। এই কালছোৱাত সদৌ ৰাভা কৃষ্টি সন্মিলন, মেঘালয় ৰাভা জাতীয় সেৱা সংঘ, ৰাভা অধ্যয়ন চক্ৰ আদি অনুষ্ঠানে ইতিবাচক ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হয় যদিও সাহিত্যৰ দিশটো সন্তোষজনক বুলিব নোৱাৰি। কাৰণ প্ৰবীন সাহিত্যক লেখক সকলৰ দুই এখন গ্ৰন্থৰ বাহিৰেৰে নবীন লেখকৰ অভাৱ পৰিলক্ষিত হয়। ৰাভা ভাষা সাহিত্যৰ কাণ্ডাৰী অনুষ্ঠান বেবাক ৰাভা ক্ৰৌৰাং ৰুঞ্চমৰ নিৰ্লিপ্ততা সাম্প্ৰতিক কালৰ ৰাভা সাহিত্যৰ স্থবিৰতাৰ অইন এক কাৰণ। আনহাতে ৰাভা জনগোষ্ঠীৰ পুনৰ জাগৰণ সময়ছোৱাত অৰ্থাৎ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ লাভ (1995) কৰাৰ পিছত এখনো ৰাভা ভাষাত সংবাদ পত্ৰ বা বৰ্তালোচনী নিয়মিত ভাৱে প্ৰকাশিত নহোৱাটো ৰাভা ভাষা সাহিত্যৰ বাবে দুৰ্ভাগ্যজনক। অৱশ্যে অন্যান্য আলোচনী কাকত, স্মৃতিগ্ৰন্থ সমূহত কবিতা, প্ৰৱন্ধ, গল্প আদিৰ চৰ্চা কিছু অব্যাহত থাকে যদিও এই খিনিয়ে যথেষ্ট নহয়। সেয়ে বৰ্তমানৰ সময়ত শিক্ষিত লোকসকল ৰাভা ভাষা সাহিত্য বিকাশৰ দিশত সচেতন হোৱাৰ সময় আহি পৰিছে। □□

**সহায়ক গ্ৰন্থ ঃ**

১/ ড° মলিনা দেৱী ৰাভা ঃ ৰাভা সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড, 2002)

২/ ড° উপেন ৰাভা হাকাচাম ঃ ৰাভা ভাষা আৰু সাহিত্য (প্ৰথম খণ্ড, 1997)

৩/ ড° উপেন ৰাভা হাকাচাম ঃ ৰাভা ভাষা আৰু সাহিত্যৰ শেহতীয়া অগ্ৰগতিৰ সমীক্ষা, 2002.

# বিষ্ণু ৰাভাৰ দৃষ্টিত হিন্দু-মুছলমানৰ সম্পৰ্ক

শ্রীনয়ন বণিক্য
স্নাতক ২য় বৰ্ষ (ৰাজনীতি বিজ্ঞান)
বিকালী মহাবিদ্যালয়, ধূপধৰা, গোৱালপাৰা

শ্রীমন্ত শংকৰদেৱ যিদৰে অসমীয়া জাতিৰ সমন্বয়ৰ প্ৰতীক ঠিক তেনেকৈ বিষ্ণু ৰাভাও আছিল অসমীয়া জাতিৰ দাপোণ স্বৰূপ। বিশেষকৈ অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভাষা, সাহিত্য, সংস্কৃতি, কৃষ্টি পৰম্পৰা আৰু তেওঁলোকৰ জীৱন দৰ্শনৰ কথা যিকেইগৰাকী বিশিষ্ট লোকে আন্তৰিকতাৰে উপলব্ধি কৰি গৈছে তেওঁলোকৰ ভিতৰত বিষ্ণু ৰাভা নিঃসন্দেহে এজন শ্ৰেষ্ঠ ব্যক্তিত্বৰ অধিকাৰী।

অসমৰ এক বৃহৎ জনগোষ্ঠী হ'ল মুছলমান। এই বৃহৎসংখ্যক মুছলমানে অসমৰ ভাষা, সাহিত্য আৰু সংস্কৃতিলৈ প্ৰচুৰ পৰিমাণে বৰঙণি আগবঢ়াইছে। বিষ্ণু ৰাভাই তেওঁৰ বিভিন্ন লিখনিৰে অসমৰ মুছলমানসকলৰ কথা শ্ৰদ্ধাৰে সোঁৱৰিছে আৰু হিন্দু-মুছলমান সম্পৰ্কক গুৰুত্ব সহকাৰে তুলি ধৰিছে।

বিষ্ণু ৰাভাই সাম্যবাদক মূল ভেটি হিচাপে আগত লৈ 'নতুন ভাৰত' গঢ়াৰ কথা ভাৱিছিল। আৰু সেয়েহে তেওঁ 'মুক্তি দেউলত' কৈছে—

"হিন্দু-মুছলিম-শিখ-খ্ৰীষ্টানৰ
অন্তৰ ভেদি সোঁত বোৱাম
ভেদাভেদৰ প্ৰাচীন ভাঙি
সাম্যৰ সৰগ ৰচিম
নতুন ভাৰত গঢ়িম।"

বিষ্ণু ৰাভাই তেওঁৰ 'কৃষক' নাটখনিতো স্বাধীনতাৰ প্ৰসংগ টানি আনি হিন্দু-মুছলমান ঐক্যৰ কথা সোঁৱৰি লিখিছে—

"হিন্দু-মুছলমান-বৌদ্ধ-খ্ৰীষ্টান
হোৱা এক সৰে
হোৱা ভাই এক
পাহৰি বিদ্বেষ জলন্ত অমল
পৰিষ্কাৰ কৰি অন্তৰ মল।"

অসমৰ আন আন জনগোষ্ঠীৰ ক্ষেত্ৰত উপলব্ধি কৰাৰ দৰে মুছলমানসকলৰ ক্ষেত্ৰতো তেওঁলোকৰ অতীত ঐতিহ্য আৰু সামাজিক সাংস্কৃতিক জীৱনৰ আধাৰত বিষ্ণু ৰাভাই আলোচনা কৰিছে। হজৰত ইব্ৰাহিমৰ পুত্ৰ হজৰত ইছমাইলৰ কোৰবাণীক কেন্দ্ৰ কৰি ৰচিত 'ঈদুজ্জোহাৰ গান'ত ৰাভাই মছজিদৰ আজানৰ সুৰক 'মিলনৰ সুৰ' বুলি কৈছে আৰু ঈদুজ্জোহাৰ উৎসৱৰ মাজেৰে ইছলামৰ মৰ্মবাণীৰ যি প্ৰচাৰ কৰা হয় সেই সন্দৰ্ভত উল্লেখ কৰি লিখিছে—

'দুৰ আৰবৰ মৰুৰ বুকুত ভয় ভকতি আজান,
পুৱতি নিশাৰ সোণালী উষাৰ উঠে মউ সনা গান।
মিলনৰ সুৰ বোৱায়, শুনে সৰব জাহান
'একেটি মালাৰ ডোলতে গঁথা সবাৰে পৰাণ'।
প্ৰেম ভকতিৰ পৰশ লাগি হজৰত নবী ইব্ৰাহিমৰ
নীল আকাশৰ ইন্দ্ৰধনু ৰহণ জ্বলে সাত বৰণৰ
বেহেস্ত নামি সৰগ ফুলে এই মৰতত পাই সেই পোহৰ
শুকান বালিৰ হিয়াত উঠে মীনা কৰা মছজিদ মহান।
ৰূপোৱালী জলহজৰেই ধুনীয়া ৰূপহী জোনাই
ধাৰাৰ বুকুত জোনোৱালিৰ এক বৰাৰ ৰহণ বুলায়
মছজিদৰ মীৰাৰ ভেদি কুৰবাণী সুৰ,

ৰজন্‌জনায়।

জাহান ভৰি বিশ্বজুৰি ঈদুজ্জোহাৰ উলাহৰ গান।

'ঈদুজ্জোহাৰ গান' শীৰ্ষক গীতি কবিতাটিৰ মাজেৰে ইছলামৰ শান্তি আৰু ভাতৃত্বৰ বাণী প্ৰচাৰিত হৈছে। মছজিদৰ আজানত বাজি উঠা বিশ্বভাতৃত্বৰ সুৰ আৰু মমতাজ-চাহজাহানৰ অমৰ প্ৰেমৰ কথা সোঁৱৰি ৰাভাই তেওঁৰ গীতি কবিতাবোৰত লিখিছে—

'মছজিদ, মীনাৰ ভেদি
বয় ভকতিৰ নদী
পুৰা ঊষা ফজৰ আজান।
হিয়া মছজিদ ভৰি
প্ৰাণ জিউক সোঁৱৰি
তুলি সকৰুণ সুধা গান;
হায়! মমতাজ-জান!
হায়! মমতাজ-জান!
কান্দে বাদচাহ চাহজাহান।'

আৰবৰ কাৰবালাত দস্যু-সম্ৰাট এজিদ আৰু হজৰত মহম্মদৰ নাতিদ্বয় হাছান আৰু হুছেনৰ মাজত সংঘটিত হোৱা নৃশংস যুদ্ধৰ কৰুণ কাহিনীক স্মৰণ কৰি ৰাভাই লিখিছে 'কাৰবালা' নামৰ আন এটি গীতি কবিতা। নিষ্ঠুৰ এজিদে সত্য আৰু শান্তিৰ প্ৰতীক হাছান আৰু হুছেন নামৰ ভাই-ককাইক ফোৰাত নদীৰ পাৰত অমানৱিক ভাৱে হত্যা কৰাৰ ঘটনাক ৰাভাই অপূৰ্ব বাক্য ভঙ্গিমাৰে ফুটাই তুলিছে 'কাৰবালা' নামৰ গীতি কবিতাটিত। হাছান-হুছেইৰ প্ৰসঙ্গ টানি আনি 'সোণপাহী' উপন্যাসত লিখিছে—"আজিও মহৰম মাহ শেষ হোৱা নাই, আজিও কাফেৰ এজিদহঁতে দুখীয়া হাছান-হুছেনৰ ওপৰত জুলুম চলিয়েই আছে, ফোৰাত নৈৰ পাৰত কাৰবালাৰ সৃষ্টি কৰিয়েই আছে। কেয়ামতৰ দিন জানো নাহিব? আহিব ধৰিছে সেই মহাবিচাৰকৰ দিন।'

বিষ্ণু ৰাভাই কাৰবালাৰ হাছান হুছেনৰ চৰিত্ৰৰ মাজেৰে আমাৰ সমাজৰ সাধাৰণ ৰাইজ, এজিদৰ মাজেৰে শোষক, অত্যচাৰী, ধনী-জমিদাৰ আৰু কেয়ামতৰ মাজেৰে সুবিচাৰ আৰু প্ৰতিকাৰৰ কথা কৈছে। কাৰবালাৰ ঘটনাতো প্ৰাচীন ধৰ্মীয় আখ্যান হ'লেও এই প্ৰাচীন ৰূপক আৰু কাহিনীৰ উপস্থাপনা লক্ষ্য কৰা যায়।

বিষ্ণু ৰাভাৰ লেখাত হিন্দু-মুছলমান সম্পৰ্কীয় অনেক ৰাজনৈতিক ঘটনাবলীয়েও স্থান পাইছে। স্বাধীনতাৰ আগে-পিছে ভাৰত-পাকিস্তানক কেন্দ্ৰ কৰি সমগ্ৰ ভাৰতবৰ্ষ জুৰি যি ধৰ্মীয় অসহিষ্ণুতা আৰু সাম্প্ৰদায়িকতাই গা কৰি উঠিছিল তাৰ কিছু বৰ্ণনা বিষ্ণু ৰাভাই তেওঁৰ 'মামীৰ হাৰ' গল্পটিৰ মাজেৰে দাঙি ধৰিছে। গল্পটিৰ নায়ক হৰেন ৰাজবংশীয়ে সাম্প্ৰদায়িক সংঘৰ্ষৰ উৎসৰ কথা উল্লেখ কৰি কৈছে—

'সমস্যাৰ গোড়া না বুঝিয়া আমিৰা বৰিয়া লং—এই ইমিৰাই দেছেৰ ছত্ৰু—এই পাকিস্তানৰ পৰা আছো মান্‌ছিগিলা।

—ওদিগি, চিলাইয়া ওঠে, "আল্লাহো আকবৰ'।
—আমিৰা ডাকাও বন্দে মাতৰম্। অ মলৌ, অ জবৌ, কাই-কাই আছ্‌ছি আছিবি? চবাই আছিয়া তুটিয়া মিলিয়া জুলিয়া এক্‌লগে চেচাং—'বন্দে মাতৰম্। যাং বাঙালৰ প্ৰমৰ দিকে অন্ধকাৰে ৰাত্ৰিত। হাতত হাতিয়াৰ অস্ত্ৰ লইয়া, দা-কুঠাৰ, জাঠি, জোং।

—আগুন জ্বালয়া উঠে। আঃ-

আমিৰা যাং বাঙাল মেদাবাৰ। তামিৰাৰ ঘৰ পুৰে। আকাচ্‌লাল হয়। ঘৰেৰ মুটা ফুটে—ঠৌ-ঠৌ-ঠৌ, আমিৰা চেচাং—'বন্দে মাতৰম্'। তামিৰা চিলায়,—আল্লাহো আকবৰ। আৰু তিৰী ছাৱা কন্দিয়া উঠে। তাৰ পৰে আৰু কিছু নাই। তামিৰা পালায়। হয় আমাৰ পেই নাভৰে, আগেৰ মতন মালী থাকি যায়।

ৰাভাৰ এই হৃদয়স্পশী গল্পটিৰ মাজেৰে এই কথাই প্ৰকাশ পাইছে যে, হিন্দু-মুছলমানৰ বিভাজন বা সাম্প্ৰদায়িক সংঘৰ্ষই দুখীয়া মানুহৰ সমস্যা সমাধান নকৰে, ভোকৰ আহাৰ যোগান নধৰে। সাম্প্ৰদায়িকতাই

মাথোন একাংশ লুভীয়া, শোষক-শাসক আৰু ভ্ৰষ্টাচাৰীৰ স্বাৰ্থ সিদ্ধি কৰে। সাম্প্ৰদায়িকতাবাদীসকল মানৱতাৰ শত্ৰু, মানুহৰ শত্ৰু। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত মানুহৰ মাজত ভয়ংকৰৰূপে দেখা দিয়া সাম্প্ৰদায়িক সংঘৰ্ষৰ প্ৰত্যাহ্বানৰূপে বিষ্ণু ৰাভাই 'চিৰাজ' নাটক অভিনীত কৰোৱাত বিশেষ ভূমিকা পালন কৰিছিল।

পাকিস্তান আন্দোলনে সৃষ্টি কৰা সাম্প্ৰদায়িকতাৰ নিৰ্মম ঘটনাৰ উল্লেখ কৰি 'কৃষক' নাটকত ৰাভাই কৈছে সাম্প্ৰদায়িকতাবাদীহঁতে কটা-কটি কৰি জ্ঞাতি-কুটুমক টুকুৰা-টুকৰ কৰি ভাল পায়। অসমৰ প্ৰসংগ টানি আনি 'কৃষক' নাটকৰ ১ম, ২য় আৰু ৩য় গাঁৱলীয়া চৰিত্ৰৰ মাজেৰে কোৱাইছে।

২য় গাঁৱলীয়া—আমাৰ ইয়াতো তেনেকুৱা হ'ব নেকি হে?

১ম গাঁৱলীয়া— নাই, নাই ইয়াত কেলেই হ'ব এ?

২য় গাঁৱলীয়া—এৰা আজি ক'ত পুৰুষ গ'ল, আমাৰ অসমত হিন্দু-মুছলমান দদাই-ভতিজা কৰি একেলগে উঠোঁতে-বহোঁতে কোনো দিনে দাঁতে-ওঁঠেও লগা নাই। আমাৰ ইয়াতনো কেলেই হ'ব দেওঁ।

১ম গাঁৱলীয়া—আৰু ধৰা, আমাৰ ওচৰৰে সেই মুছলমান গাঁওখন। সিহঁতনো কোন চিতেৰে আমাক কাটিবলৈ আহিবহে আৰু আমিয়েই বা সিহঁতৰ গাত এটা কোব মাৰিবলৈ কোন সতেৰে আগবাঢ়ি যাম দেওঁ?

বিষ্ণু ৰাভাই এনেবোৰ বিষয়ৰ প্ৰসংগ টানি আনি নাটকবোৰ লিখিছিল। বিষ্ণু ৰাভাই এই নাটকবোৰৰ মাজেৰে দেখুৱাব বিচাৰিছিল যে, হিন্দুৰ শত্ৰু মুছলমান বা মুছলমানৰ শত্ৰু হিন্দু নহয়। মানুহৰ প্ৰকৃত শত্ৰু হ'ল হিন্দু আৰু মুছলমানৰ মাজত বিভাজন সৃষ্টিকাৰী প্ৰতিক্ৰিয়াশীল শক্তিবোৰ যাৰ প্ৰকৃততে ধৰ্ম নাই, মানৱতা নাই, যাৰ প্ৰধান লক্ষ্য বিভাজন আৰু শোষণ।

অসমৰ মুছলমানসকলৰ মাজৰ অন্যতম পিছপৰা জনগোষ্ঠী হ'ল মৰিয়াসকল। কিন্তু মৰিয়াসকল জাত-পাতৰ গণ্ডীৰ মাজত আৱদ্ধ নহয়। বিষ্ণু ৰাভাই "মিচিং কনেঙ" উপন্যাসত 'মৰিয়া' আৰু 'মিৰি' জনগোষ্ঠীৰ দুটা চৰিত্ৰৰ বিন্যাস ঘটাইছে এনেদৰে—

'লক্ষীমপুৰ চহৰত মৰিয়া চুবুৰিত এটা পঁজাত কুমংযাকো মৰিয়াসকলৰ জাত-কুলৰ বিচাৰ নাই, কিন্তু অসমীয়া হিন্দুৰ মনত, নাকত, মুখত সদায় ছেই-ছেই, লেই-লেই আছেই।........এনে এসেকা ঘৃণাসুঁতি মাইনৰ স্কুলৰ পৰা আহোঁতে সেই অসমীয়া 'মিপাণ্'—হিন্দু গাঁৱৰ কুঁৱাৰ পাৰত পানী খাওঁতেই পাইছে।........এটা জলন্ত পটন্তৰ।

—কুমং-মিৰি। তাৰ নিকা হিয়াত এটা কলা চেকা।.......সেই চুবুৰিৰ মৰিয়া কিছুমানে পিতলৰ বাচন বিকিবলৈ যায়। সেয়েহে চা-চিনাকি।..........

পাছদিনা পৰীক্ষা।

আগদিনা পুৱা.........

পুৱাই গা-ধুই ভাল সাজ কাপোৰ পিন্ধি শুদ্ধ পৱিত্ৰ মনেৰে চুটকেছটো খুলি ৰঙা কাপোৰেৰে বন্ধা ৰূপৰ ফুলযোৰ চোলাৰ পকেটত ভৰাই সি পঞ্চানন-দেৱালয়ৰ ফালে খোজ লয়।.........

বুঢ়া মৰিয়া মানুহজনে চেনেহেৰে মাত দিয়ে,— 'যা বোপাই! ভালকৈ সেৱা কৰিবি, আশীৰ্বাদ ল'বি। আল্লাই তোৰ মংগল কৰিব।........

এনেদৰেই বিষ্ণু ৰাভাই তেওঁ গল্প, উপন্যাস আদিৰ মাজেৰে জাত-পাত, বৰ্ণ বৈষম্য আৰু গোষ্ঠীবাদী প্ৰৱনতাক চৰম আঘাট হানিছে আৰু মানুহৰ সম-অধিকাৰ দাবী কৰিছে।

অকল মুছলমানসকলৰ প্ৰতিয়েই নহয়, অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকৰ প্ৰতি বিষ্ণু ৰাভা আছিল উদাৰ আৰু সহানুভুতিশীল।

(সংগ্ৰহক গ্ৰন্থ ঃ বিষ্ণু ৰাভাৰ জীৱন আৰু দৰ্শন)

# মোবাইল, বাইক আৰু নৱপ্ৰজন্ম

শ্ৰীদেৱজিৎ পাঠক
উঃ মাঃ ২য় বৰ্ষ

বৰ্তমান যুগক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ বুলি কোৱা হয়। প্ৰযুক্তি বিদ্যাই এহাতে যিদৰে সমাজৰ প্ৰভুত উন্নতি সাধিছে, আনহাতে ই সমাজৰ বিস্তৰ ক্ষতি সাধন কৰিছে। তাৰ সোঁতত উটি ভাহি ফুৰিছে বৰ্তমানৰ আৰ্থাৎ একবিংশ শতিকাৰ ডেকা-গাভৰুহঁত। এটা মোবাইল অথবা এখন মটৰচাইকেল অবিহনে সিহঁতৰ কলেজত যোৱা যেন অসাৰ্থ। হাইস্কুলৰ শেহান্ত পৰীক্ষাৰ ফলাফলৰ দিনাখনেই মাক-দেউতাকক মৰমৰ দাবী কৰে প্ৰথমে এটা মোবাইল আৰু তাৰ পিছত এখন মটৰ চাইকেলৰ। নহ'লে পঢ়া-শুনা বন্ধ। ল'ৰা-ছোৱালীৰ এই আকোঁৰগোজ মনোভাৱ দেখি অভিভাৱকেও সন্মত হ'বলৈ বাধ্য হ'ব লগা হয়। এনেকৈ দিনক দিনে শৈক্ষিক পৰিবেশৰ অধপতনঃ হ'বলৈ ধৰিছে।

অসমৰ কেইখন মহাবিদ্যালৰ ছাত্ৰই বাইক অবিহনে চাইকেল অথবা খোজকাঢ়ি গৈ পাঠদানত উপস্থিত হয়? নিজৰ নহ'লেও ঘনিষ্ট বন্ধুজনৰ লগতে গৈ হ'লেও কলেজত উপস্থিত হয়। এনেকৈ হয়তো কেতিয়াবা সিহঁত সময়ৰ মূল্যবান পাঠদান জানিবলৈ থাকি যায়। আচলতে ইয়াৰ বাবে মূল জগৰীয়া কোন? আনকি কেতিয়াবা এইটোও দেখা যায় যে যেতিয়া ছাত্ৰ এজনে শ্ৰেণীত পলমকৈ অহাৰ কাৰণ সোধা হয় তেতিয়া আধা ডজন মিছা মাতিবলগীয়া হয়। দ্বিতীয় বাৰ যদি আকৌ প্ৰশ্ন কৰা হয় তেতিয়া প্ৰতিত্তোৰ পোৱা যাব 'মোৰ আছে আপোনাৰ কি হৈছে।' এনে মন্তব্য দিয়া ছাত্ৰ-ছাত্ৰীসকলে নিজেও শান্তিত নাথাকে আৰু আনকো শান্তিত থাকিবলৈ নিদিয়ে।

কিছুমান ছাত্ৰই আকৌ শ্ৰেণী কোঠা চলি থকা সময়ত ৰিংটন বজাই শ্ৰেণীৰ পৰিবেশ বিনষ্ট কৰে। আজি-কালি প্ৰায়েই শ্ৰেণী চলি থকা অৱস্থাতে মোবাইল বাজি উঠাটো এটি সাধাৰণ ঘটনা হৈ পৰিছে। প্ৰকৃততে এজন ছাত্ৰই কলেজত যোৱাৰ আগতে এটা দামী অথবা কমদামীয়ে হওঁক ভাল ৰিংটন থকা মোবাইল আৰু শেষত এখন বাইক কিনাৰ উদ্দেশ্যে কি? নিজক দাম্ভিক আৰু আনৰ আগত আকৰ্ষিত কৰি দেখুৱাবলৈ মোবাইল অথবা বাইক ব্যৱহাৰ কৰাৰ প্ৰৱনতা এটি গঢ়ি উঠিছে। এই চাম যুৱকে নিজৰ ঘৰুৱা আৱস্থাৰ কথা পাহৰি কেৱল ছোৱালীক আয়ত্ত কৰিবলৈ এটি মোবাইল বা এখন বাইকৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। কাৰোবাৰ ক্ষেত্ৰত এইটোও ঘাটিছে যে নিজৰ প্ৰেমিকাক বাইকত উঠাই পাৰ্ক ঘূৰাওঁতে ঘূৰাওঁতে বাইকৰ পেট খালি হৈ পৰে। আনপিনে প্ৰেমিকাৰ লগত কথা পাতোতে মোবাইলৰ পইচাই শেষ হৈ যায় তাৰ খবৰেই নাই। তাৰ পিছত ঘৰত আহি উদ্ভগুালি কৰে বাইকত তেল নাই, মোবাইলৰ ৰিচাৰ্জ নাই। এনেকৈ অভিভাৱকৰ মনলৈ আহে অশান্তিৰ জোৱাৰ।

মহাবিদ্যালয়ৰ চৌহদ বাইকৰ শব্দই প্ৰদূষিত কৰিছে, প্ৰদূষিত কৰিছে শৈক্ষিক পৰিবেশ। সুস্থিৰ বাতাবৰণৰ সৃষ্টি কৰিবলগীয়া হ'লে প্ৰয়োজন হ'ব এটা সুন্দৰ মনৰ, এটা সুস্থ ভাৱধাৰাৰ। এনেকৈ ন-কৈ গঢ়ি উঠিব এখন সুন্দৰ সমাজ। নহ'লে নিজৰ ধনৰ বাহাদুৰি দেখুৱাবলৈ গৈ নিজৰ ভৰিত বাগি কুঠাৰ মৰাত বাহিৰে আন একো নহ'ব। তাৰ বাবে হয়তো আজিৰ সমাজত

সচেতন হৈ থাকিব লাগিব শিক্ষক আৰু অভিভাৱক সকল।

মোবাইল ফোন বা বাইক এখনৰ প্ৰয়োজনীয়তা আমি একেমুখে অস্বীকাৰ কৰিব নোৱাৰো। অভিভাৱক সকলে নিজৰ সন্তানক এই দুইবিধ বস্তু দিয়াৰ সময়ত ভাবিবলাগিব সেই বিলাকৰ প্ৰজনীয়তা সন্তানটোৰ আছে নে নাই। ইয়াৰ উপৰি সমাজৰ সচেতন লোক সকলে এই কথা লক্ষ্য ৰাখিব লাগিব যাতে মোবাইল ফোন বা বাইকে সমাজৰ পৰিবেশ কলুষিত নকৰে। সেইবাবে মোবাইল ব্যৱহাৰ কৰোতে সদায় এই কেইটা কথাও মন দিব লাগে—(ক) ৰাজহুৱা ঠাইত মোবাইলৰ ৰিংটনৰ শব্দ কমাই ভাইৰেচ্‌নত ৰাখিব লাগে। অকল ৰাজহুৱা ঠাইয়ে নহয়, চিনেমা গৃহতো তেনেকুৱা কৰিব লাগে। দৰকাৰী কথা থাকিলে সেই ঠাই কিছু সময়ৰ বাবে হলেও ত্যাগ কৰিব লাগে। (খ) স্থান কাল-পাত্ৰৰ প্ৰতি লক্ষ্য ৰাখিহে ৰিংটন ব্যৱহাৰ কৰিব লাগে। একোটা ৰিংটনে আপোনাৰ ব্যক্তিত্বৰ পৰিচয় দিয়ে। (গ) উচ্চপদস্থ বিষয়া বা মান্যজনক লগ কৰিবলৈ গ'লে পৰাপক্ষত মোবাইলৰ চুইচ্‌ অফ্‌ কৰি লব লাগে। (ঘ) কেতিয়াও অশালীন ভাষাৰ মেছেজ আনলৈ প্ৰেৰণ কৰিব নালাগে। ইয়ে কেতিয়াবা বিপদৰহে সৃষ্টি কৰিব পাৰে। ❑❑